# GENEPOOL

Volume 1, No. 1, 2008



**An Annual Science Magazine of**

**Sonari College, Sivasagar**

**Assam : India**

# Genepool

An Annual Science Magazine (Zoological Section), Sonari College
(Sponsored by I.Q.A.C., Sonari College, Sonari, Sivasagar: Assam)

## EDITORIAL BOARD

PATRON : DR. R. TAMULI, Principal
Sonari College, Sonari-785690

EDITOR :
DR(MRS) J. PHUKON
Department of Zoology, Sonari College
Sivasagar, Assam (India)

MEMBERS :
Mr. P. Paul
Mr. J. P. Phukon
Mr. R. Konwar
Communication details :
Ph. 037722 56515 (O)
Fax 037722 56515
Website www.sonaricollege.org

Publisher : Sonari College Science Society, Sonari.
Cover Page : Jasmine, Rinki, D.M.

*Dedicated to the memory of our beloved ex-student Md. Nasiruddin Ahmed whose glittering career should be the ideal of every student.*

Price : Rs 30/- only.

Printed at Patkai Printers, Sonari

Genepool Vol.1, No.1, 2008

OFFICE OF THE PRINCIPAL
**SONARI COLLEGE**
P. O. : Sonari, Dist. : Sivasagar (Assam)
PIN : 785690
ESTD : 1970
e-mail : PrincipalSnrColl@yahoo.com
Web site : www.sonaricollage.org
Ph. No. 03772 256515(O)
Fax No. 03772 256515

Ref. No. ..........................

Date 15. 12. 2008



## Message

I am rejoiced to know that Zoology Department is going to publish a mini magazine under the guidance of Dr. Jyotima Phukan, Lacturer of Zoology Department. The magazine will open a new vista on creating and establishing scientific facts amongst the undergraduate level students in the field of science spectrum.

Best wishes for the efforts.

(Dr. Rajen Tamuli)
Principal,
Sonari College

# CONTENTS


| | | | Page No. |
|---|---|---|---|
| | জিনপুলত কিছু কথা | ড° জ্যোতিমা ফুকন | |
| | **Section I: Assamese** | | |
| 1. | "সেউজ ৰসায়ন আৰু জৈৱ প্ৰযুক্তি" -- এক নতুন ধাৰা | ড° ৰাণা কোঁৱৰ | 1 |
| 2. | বৈজ্ঞানিক বিয়াৰ প্ৰস্তুতি -- | ড° হেমন্ত কুমাৰ ফুকন | 3 |
| 3. | দুষ্প্ৰাপ্য গঁড়ৰ পিছে পিছে-- | সুস্মিতা দেৱী | 6 |
| 4. | বিল সমূহৰ পৰা বিলুপ্ত হ'বলৈ ধৰা কাছ প্ৰজাতি ঃ এক তথ্যভিত্তিক অধ্যয়ন -- | দেৱজিৎ চেতিয়াফুকন | 8 |
| 5. | মানুহৰ বিলাসী বেমাৰৰ দুটিমান — | সুমিত দাস | 10 |
| 6. | কীটনাশকৰ ব্যৱহাৰ আৰু আমি -- | দীপু দাস | 12 |
| 7. | বন্যভূমি আৰু বন্যপ্ৰাণী সংৰক্ষণ -- | মুন ফুকন | 13 |
| 8. | জিন থেৰাপি বিপ্লৱ ঃ আৰ্শীবাদ নে অভিশাপ -- | প্ৰতিম পাতনী দে | 15 |
| 9. | শৰীৰৰ ৰোগ, ইয়াৰ কাৰণ, বিস্তাৰ আৰু প্ৰতিৰোধ — | দিলীপ ওৰাং | 18 |
| 10. | জৈৱবৈচিত্ৰ্য ঃ সংৰক্ষণ আৰু ইয়াৰ গুৰুত্ব -- | ৰবীন্দ্ৰনাথ গগৈ | 20 |
| 11. | কৰ্কটৰোগ আৰু উত্তৰ-পূৰ্বাঞ্চলত ইয়াৰ প্ৰাদুৰ্ভাৱ — | চিৰঞ্জীৱ কটকী | 22 |
| 12. | জানেনে? -- | সুমিত দাস | 24 |
| | **Section II: English** | | |
| 1. | Biophysics | Dr. Rajen Tamuli | 25 |
| 2. | Are we doing enough to save River Dolphin | Dr. S. P. Biswas | 27 |
| 3. | In Vitro Fertilization and Embrto Transfer:newer aspects | Dr. (Mrs) Jyotima Phukon | 29 |
| 4. | Role of Nanotechnology in Biological Sciences | Mainu Gogoi | 32 |
| 5. | By the Path of Helical DNA | Chironton Gogoi | 34 |
| 6. | Genetic Engineering | Binku Dutta | 37 |
| 7. | AMNIOCENTESIS | Parbin Iraqui | 41 |





| | | | Page No. |
|---|---|---|---|
| 8. | HOW SAFE OUR FOOD IS | Rinki Deb | 43 |
| 9. | AIDS - A CHALLENGE | Jasmin Iraqui | 47 |
| 10. | HUMAN BETTERMENT | Surjya Gogoi | 50 |
| 11. | Pollution : in non renewable resource | Punilal Gowala | 51 |
| 12. | BIOTECHNOLOGY IN WASTE TREATMENT AND ENVIRONMENTAL MANAGEMENT | Minakshee Pohuchungi | 53 |
| 13. | Contribution of food for a Healthy Body | Mousumi Gogoi | 55 |
| 14. | POLLUTED WATER: ITS EFFECTS | Debajit Dhar | 58 |
| 15. | AND CONTROL | | |
| | The threat of Global warming on the rich | Anurag Protim Das | 61 |
| 16. | gene pool of North East India | | |
| | Interrelationship of Man & Snake | Binu Boruah | 63 |
| 17. | Economic Importance of Leech | Nabanita Gogoi | 65 |
| 18. | Questions and Answers | Biswabikash Chakraborty | 66 |



# জিনপুলত কিছু কথা

এই বিনন্দীয়া প্ৰকৃতি এক সুন্দৰ বিজ্ঞানাগাৰ। এই বিজ্ঞানাগাৰত যি সত্য উদ্ঘাটন হয় তাক অনুধাৱন কৰিব পাৰিলেই আপুনি হ'ব এজন বিজ্ঞানী। যুক্তি আৰু বিশ্লেষণখিনিৰ পৰিসমাপ্তিত সত্য আৱিষ্কৃত হয়। বিজ্ঞান সত্য। বিজ্ঞান সকলোৰে বাবে (Science for All)। সমগ্ৰ জনগণৰ ভৌতিক আৰু অৰ্থনৈতিক উন্নতিৰ বাবে বিজ্ঞান অৱশ্যকীয়। বিজ্ঞানৰ কোঁহ ভাঙিবলৈ বিজ্ঞানী-গৱেষকৰ শহাদৌৰ মুহূৰ্তে মুহূৰ্তে। আমিবোৰ বাৰু বেছি পিছত ৰৈ গৈছোঁ নেকি? বহু কষ্টৰ প্ৰয়োজন বিজ্ঞানৰ ধ্যান-ধাৰণাৰ আত্মীয় হ'বলৈ। বিজ্ঞান স্থিতিশীলতাৰ অন্তৰ্গত নাথাকে। ভৌত (Physical) আৰু জীৱবিজ্ঞানৰ (Biology) সহযোগত বহু নতুন নতুন বিজ্ঞানৰ ডালে-পাতে মানৱ সমাজৰ বাবে অৰিহণা আগবঢ়াইছে। জৈৱ ৰসায়ন বিজ্ঞান (Biochemistry), জৈৱ পদাৰ্থ বিজ্ঞান (Biophysics), জীৱস্থিতি (Biometry), মহাকাশ জীৱবিজ্ঞান (Space biology or Eobiology), বায়'নিকছ্ (Bionics), জৈৱ ভূ-বিজ্ঞান আদি কত কি! আশীৰ্বাদৰ শৰাই লৈ মানৱ মঙ্গলত নিবিষ্ট হৈছে নেন'প্ৰযুক্তি (Nano-technology), হিউমেন জিনম প্ৰজেক্ট, ইউজেনিক্স (Eugenics), ক্লনিং প্ৰযুক্তি (Clonning technology) ইত্যাদিয়ে। নেন'প্ৰযুক্তিয়ে ইলেকট্ৰনিকছৰ পৰা চিকিৎসা বিজ্ঞানলৈকে বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিছে। এক নেন'মিটাৰ হৈছে এক মিটাৰৰ এক বিলিয়ন ভাগৰ একভাগ- দুটা পৰমাণুৰ আকাৰৰ প্ৰায় সমান। এই প্ৰযুক্তিয়ে মানৱ জীৱন তথা উদ্যোগিক ক্ষেত্ৰখনলৈ আশ্চৰ্য্যতা লৈ আহিছে। আণৱিক জীৱবিদ্যা (Molecular biology) ৰ এটি গুৰুত্বপূৰ্ণ দিশ জিনীয় অভিযন্ত্ৰণ (Genetic Engineering) য়ে কৃত্ৰিম জিনৰ সংশ্লেষণ, জিনৰ সংশোধন, উন্নত জিনৰ সংস্থাপন, বিসঙ্গতি পূৰ্ণ জিনবোৰৰ সালসলনি কৰি মানুহৰ বেমাৰ-আজাৰ আঁতৰাই অমৰত্বৰ কালে ধাৱমান হৈছে। চমৎকাৰী হিউমেন জিন'ম প্ৰজেক্টয়ে (HGP) মানুহৰ দেহকোষৰ জিনবিলাকৰ অৱস্থান, আকাৰ, আন্তঃ দূৰত্ব, প্ৰকৃতি, উপস্থিতিৰ প্ৰয়োজনীতা আদিত উল্লেখনীয় সাফল্য লাভ কৰিছে। শৰীৰৰ চৰিত্ৰৰ বাহক জিনবিলাক মেপিং কৰি তাক চিকিৎসা, পুনঃস্থাপন আদিবোৰ সম্ভৱ

Genepool Vol.1, No.1, 2008

হৈ উঠিছে। এই প্ৰকল্পই প্ৰমাণ কৰি দেখুৱাইছে যে মানুহৰ দেহত প্ৰায় ১০০ নিযুত কোষৰ ৩০,০০০-৪০,০০০ জিন থাকে। আটাইতকৈ দীঘল জিনটো হৈছে X ক্ৰ'মজ'মত থকা ডুকিনি মাছকুলাৰ ডিছট্ৰ'ফি (duchenne muscular distrophy) জিন।

অন্য এক দিশ ইউজেনিক্স (Eugenics) বিশেষত সামাজিক নিয়ন্ত্ৰণৰ মাজত থাকি ভৱিষ্যতৰ মানৱ সমাজৰ বাবে অহিতকাৰী কাৰকসমূহক অধ্যয়নৰ জৰিয়তে ন্যায়িক প্ৰজনন (Judicious) বা নিৰ্বাচিত (Selective) প্ৰজননৰ দ্বাৰা নতুন শাৰীৰিক তথা মানসিক উন্নতি সাধনৰ মাধ্যমেৰে সুস্থ মানৱ সমাজ প্ৰতিষ্ঠিত কৰা। সমাজত মেধাসম্পন্ন, সুস্থ-সবল ব্যক্তি সৃষ্টি আমাৰ সকলোৰে কাম্য। তদুপৰি এই বিজ্ঞানৰ সহায়ত আপোনাৰ গোহালি-গড়ালত অধিক গাখীৰ-মাংস উৎপাদনকাৰী প্ৰাণীবিলাক থাকিব ও পাৰিব। মানৱ সমাজত তোলপাৰ লগোৱা অন্য এক বিষয় প্ৰাণী ক্ল'নিং (Animal Cloning), ইয়াত এটা জীৱৰ পৰা একে চৰিত্ৰ যুক্ত নকল সৃষ্টি প্ৰক্ৰিয়া চলি আছে। ১৯৯৭ চনত 'ডলি' ক্লন সৃষ্টিৰ লগত পলি-মলি নামৰ দুটা ট্ৰেনছজেনিক ক্ল'ন (Transgenic clone) ভেৰা সৃষ্টি কৰা হৈছিল য'ত মানুহৰ দেহৰ প্ৰটিন সৃষ্টিকাৰী জিন প্ৰতিস্থাপন কৰা হৈছিল। এই পদ্ধতিৰে জীৱৰ ঔষধ প্ৰস্তুতকৰণ কাৰখানা (living pharmaceutical factory) ৰূপে স্বীকৃত জৰ্জ আৰু কৰলি নামৰ দুটা ঔষধ যুক্ত গাখীৰ দিব পৰা গৰুৰ ক্ল'ন সৃষ্টিয়ে চিকিৎসা বিজ্ঞানত আলোড়ন আনিছে। এই পদ্ধতিত মানুহৰ কৃত্ৰিম অঙ্গ-প্ৰত্যঙ্গ যেনে হৃদপিণ্ড, হাওঁ-কাওঁ, বৃক্ক আদিৰ সৃষ্টি প্ৰক্ৰিয়াও চলি আছে।

এই আশাব্যঞ্জক কলাকলৰ বিপৰীতে প্ৰকৃতিৰ জৈৱ বৈচিত্ৰ্যতালৈ ভুমুকি মাৰিলে হতাশ গ্ৰস্ত ছবি এখনহে দেখা যায়। বৰ্তমান মানৱসৃষ্ট বা প্ৰাকৃতিকসৃষ্ট সংকটময় ক্ষণত জিনপুলে চৰম নিৰাপত্তাহীনতাত ভুগিছে। গড়ৰ খড়্গৰ টুকুৰা এটি পিন্ধি চিৰযৌৱন প্ৰাপ্তি হোৱাৰ ভ্ৰান্ত ধাৰণাত আন্তঃৰাষ্ট্ৰীয় বজাৰত এক কেজি খড়্গ বিক্ৰী হৈছে ১৫-২০ লাখ টকাত। পূৰ্ণবয়স্ক বাঘ এটাৰ ডাড়িৰ পৰা নেজলৈকে হেনো ঔষধেই ঔষধ, সেয়ে মৃত বাঘ এটাৰ মূল্য ৬০লাখ। উত্তৰ-পূৰ্বাঞ্চলত একমাত্ৰ বন মানুহ হলৌবান্দৰটোৰ কলিজা খালে হেনো সন্তানহীনতাৰ অপযশ আঁতৰে। হাতীৰ দাঁতেৰে অলংকাৰ পিন্ধিলে সম্পদশালী হয়, সেয়ে বজাৰমূল্য এক কেজিত প্ৰায় ৪০ হাজাৰ টকা। মতা যনৰীয়া গাহৰি এটাৰ এযোৰ দাঁতৰ দাম ৫০০ টকা আৰু এটা ছুচুৰ আন্তঃৰাষ্ট্ৰীয় মূল্য আৰেৌ ২-৩ লাখ টকা। ১০০গ্ৰাম শিহুৰ তেলৰ মূল্য ৫০০০ টকা, আলংকাৰিক মাছ ৰূপে স্বীকৃত চেঙেলী এটাৰ দাম প্ৰায় ৪০০ টকা। ছুচু- কেঁচা, সাপ, ভেটী, নাইপিয়া, তেজপিয়া, ওঁহ, মাছ-কাছ, বাদুলী, বানুণী ভেকুলী, হাড়গিলা দ্ৰুতগতিত প্ৰকৃতিৰ পৰা বিদায় মাগিছে। অন্ধবিশ্বাসীয়ে কাছ মাৰি কাছৰ চলাখন গোহালিত আঁৰিছে গৰুৰ বেমাৰ ভাল হ'বলৈ। জলজ অলংকাৰৰূপী মাছবোৰ পিছৰ প্ৰজন্মই দেখাই নপাব। ধনেশ চৰাই এটাৰ তেলত হেনো দেহৰ বিষ কাটিব পৰা দক্ষ আছে। প্ৰকৃতিৰ মেতৰ শগুণ-কাউৰী মানুহৰ মতে অমঙ্গলীয়া, গতিকে এই ভ্ৰান্তিত সিহঁতক মাৰি শেষ কৰিছে। প্ৰকৃততে এই প্ৰাণীবিলাকৰ

লগাত জড়িত লোভ-অন্ধবিশ্বাসে এখন ৰমৰমীয়া চোৰাং বজাৰ চলি থকাত সহায়হে কৰিছে। আমাৰ চৰাইদেউৰ সীমা অঞ্চলতে বামুণী ভেকুলী বিক্ৰী হৈছে কেজিত ৩০০ টকাকৈ। সমীপৰ অভয়পুৰ ৰিজাৰ্ভত বান্দৰ-চৰাই-খাই সঁচো নাইকিয়া হোৱাৰ পথত। সেঁ সিদিনা চৰাইদেউ মহকুমাৰ সু-বৃহৎ অভয়পুৰ বনাঞ্চলত বনৰীয়া হাতীৰ ওপৰত নগা দুৰ্বৃত্তৰ এটা অস্ত্ৰধাৰী দলে গুলিয়াই নৃশংসভাৱে তিনিটা হাতী বধ কৰি ভক্ষণ কৰাৰ দৰে ঘটনাও সংঘটিত হ'ল। প্ৰকৃতিৰ বুকু নিৰ্দয়ভাৱে চুচি পেলোৱা হৈছে কিন্তু বহুধা ৰূপত প্ৰজনন বিজ্ঞানসম্মত প্ৰক্ৰিয়াৰে হোৱা নাই।

এই সকলোবিলাক বিষয় সামৰি ক্ষুদ্ৰ প্ৰচেষ্টা এটিলৈ 'জিনপুলে' প্ৰাণীবিজ্ঞানৰ প্ৰমুখ্য প্ৰাণৱন্ত ছাত্ৰ-ছাত্ৰী, শিক্ষক, অধ্যক্ষ ড° ৰাজেন তামুলী, অতিথি লিখক কেইজনক বুকুত লৈ ভুমিষ্ঠ হৈছে। জিনপুলৰ প্ৰস্তাৱনা সংখ্যাত আমাৰ লগত উদ্যমী অধ্যক্ষ ড° ৰাজেন তামুলী, অনিতা কোঁৱৰ, মৃদুল ফুকন, ৰিপু বুঢ়াগোহাঁই আৰু আমাৰ অতি মৰমৰ ছাত্ৰ-ছাত্ৰী জেচমিন, ৰিংকি, মীনাক্ষী, দেৱজিতহঁতে অকৃপণ ভাৱে সহায় আগ নবঢ়োৱা হ'লে আমি জিনপুলক পোহৰৰ বাট দেখুৱাব নোৱাৰিলোহেঁতেন। প্ৰাণীবিজ্ঞানৰ দৰে বিজ্ঞান মনস্কতাৰ সৃষ্ট বিশাল সাগৰখনত বাৰীৰ জাতিবাঁহেৰে বনোৱা সৰু ডুঙুকিটোৰে বৰ বেছি মাহ-কাহ তুলিব নোৱাৰাৰ দুখ থাকিল। 'জিনপুলে' জৈৱবৈচিত্ৰতাক আৰু তাৰ আধুনিকীকৰণক বিভিন্ন কোণেৰে চাবলৈ চেষ্টা কৰিছে যদিও অপৰিপক্কতাৰ দায় সাৰিব নোৱাৰি পাঠকক কেঁচুৱাৰ মুখলৈ চোৱাদিহে চাবলৈ অনুৰোধ কৰিলোঁ। দ্বিতীয় প্ৰকাশত এই অনুকম্পা আঁতৰাবই লাগিব। অদূৰ ভৱিষ্যতে প্ৰাণীবিজ্ঞানৰ এই বিজ্ঞান আলোচনীখনৰ পৰিসৰ অন্যান্য বিজ্ঞানৰ বিষয় সমূহো সামৰি লৈ অধিক পৰিপুষ্ট হ'ব বুলি আশা ৰাখিলোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়ৰ শৈক্ষিক চিন্তা।

(ড° জ্যোতিমা ফুকন)
সম্পাদিকা, জিনপুল
সোণাৰি মহাবিদ্যালয়, সোণাৰি।

ডিচেম্বৰ, ২০০৮
সোণাৰি, শিৱসাগৰ।



# "সেউজ ৰসায়ন আৰু জৈৱ প্ৰযুক্তি" — এক নতুন ধাৰা।

ড° ৰাণা কোঁৱৰ*

বৰ্ত্তমান সময়ত মানব জাতিৰ বাবে আটাইতকৈ ভয়াবহ প্ৰত্যাহ্বান হৈছে জৈৱ বিচিত্ৰতাৰ প্ৰতি অহা ভাবুকি। জৈৱ বৈচিত্ৰতাক বিজ্ঞানৰ জয়যাত্ৰাৰ চৰম শীৰ্ষত উপনীত হৈয়ে আজিৰ মানুহ থমকি ৰ'ব লগা হৈছে ; পুনৰ ঘূৰি ঘূৰি চাব লগা হৈছে ইতিমধ্যে কৰি অহা কৰ্মৰাজিয়ে পেলাই অহা কাল বলুকাৰ খোজবোৰলৈ। বিশ্বায়ন, গোলকীকৰণ আদি শব্দ আওঁৰাই আওঁৰাই আধুনিকতাৰ দিশে ধাবমান হওঁতে প্ৰকৃতিৰ বুকুত দিয়া নিষ্ঠুৰ খোজবোৰে ইয়াৰ বহু সন্তান কেতিয়া নিঃশেষ কৰি পেলালে মানুহে গমেই নাপালে। যেতিয়া গম পালে তেতিয়া বহুত পলম হৈ গ'ল যদিও মানুহে বিশ্বজুৰি পৰিৱেশ, প্ৰদূষণ আদি বিষয়ৰ ওপৰত অধ্যয়ণ, চিন্তা চৰ্চাৰ জৰিয়তে এই জৈৱ-বিচিত্ৰতাক ধৰি ৰাখিবলৈ প্ৰয়াস কৰি নানা পন্থা অবলম্বন কৰিবলৈ ল'লে। এই প্ৰায়বোৰ পন্থা Pollute and then clean up ধাৰাৰ ওপৰত প্ৰতিষ্ঠিত। এই প্ৰক্ৰিয়া অনুযায়ী মানুহৰ জৈৱিক প্ৰয়োজন পূৰাবৰ বাবে কৰা কাৰ্যই পৰিৱেশ প্ৰদূষিত কৰিব আৰু পিছৰ পৰ্যায়ত সেই প্ৰদূষণ বিভিন্ন বৈজ্ঞানিক পদ্ধতিৰে নিৰ্মূল কৰা হ'ব। অথবা তাৰ প্ৰভাব নিম্নতম কৰা হ'ব। যোৱা শতিকাৰ শেষৰ দশকলৈকে মানুহে এনে প্ৰক্ৰিয়াতে গুৰুত্ব প্ৰদান কৰি আহিছিল। কিন্তু ১৯৯০ চনত পৰিৱেশ বিজ্ঞানত এক নতুন ধাৰণাই জন্ম ল'লে যি বৈজ্ঞানিক সমাজৰ লগতে বৰ্ত্তমান সৰ্বসাধাৰণ লোকৰ মনৰো উত্তৰণ ঘটাবলৈ সক্ষম হৈছে। এই নতুন ধাৰণাটো হৈছে- "সেউজ ৰসায়ন" বা Green Chemistry। ধাৰণাটোৱে যদিও প্ৰায়বোৰ বিষয়কে সামৰি লৈছে তথাপিও ইয়াক সেউজ ৰসায়ন হিচাপে নামাকৰণ কৰাৰ মূলতে হৈছে ইমান দিনে প্ৰদূষণৰ প্ৰধান কাৰক হিচাবে ৰসায়নেই বিবেচিত হৈ আহিছে। "Green Chemistry" নামাকৰণ কৰিছিল US Environmental Agency (EPA) ৰ পি. অনাষ্টাই। সেউজ ৰসায়ন বা গ্ৰীণ কেমিষ্ট্ৰিৰ মূলতত্ব এনেধৰণৰঃ- প্ৰচলিত পদ্ধতিৰে (Traditional Method) কোনো বিক্ৰিয়া ঘটাই ৰাসায়নিক যৌগ এটা প্ৰস্তুত কৰোঁতে কেৱল যৌগটোৰ উৎপাদন পৰিমাণৰ ওপৰতহে গুৰুত্ব দিয়া হয়। ইয়াত ব্যৱহৃত কেঁচা সামগ্ৰী আৰু উপজাত দ্ৰব্যসমূহৰ ৰাসায়নিক গুণাগুণৰ ওপৰত তথা এইবিলাকে পৰিৱেশৰ ওপৰত কৰিব পৰা প্ৰতিক্ৰিয়াৰ ওপৰত গুৰুত্ব দিয়া নহয়। ফলস্বৰূপে এনে উৎপাদন প্ৰক্ৰিয়াই প্ৰভূত পৰিমাণে পৰিৱেশ প্ৰদূষিত কৰে। কিন্তু সেউজ ৰসায়নত উৎপাদন প্ৰক্ৰিয়াটো এনেদৰে পৰিচালিত কৰা হয় যাতে সমগ্ৰ প্ৰক্ৰিয়াটোত জড়িত কোনো পদাৰ্থৰ পৰাই পৰিৱেশ প্ৰদূষিত নহয়। ইয়াত বিক্ৰিয়া আৰম্ভণিৰ পৰা অন্তিম মুহূৰ্তলৈকে প্ৰদূষণমুক্ত হৈ থাকে। সেউজ ৰসায়নত গুৰুত্ব দিয়া দিশবোৰ হ'ল - ১। বৰ্জিত পদাৰ্থৰ উৎপন্ন হ্ৰাস কৰা। ২। নিৰাপদ ৰাসায়নিক বিকাৰক আৰু উৎপাদৰ ডিজাইন। ৩।

ষ্টইকীয় মিতীয় বিকাৰকৰ পৰিবৰ্ত্তে অনুঘটকৰ ব্যৱহাৰ। ৪। ৰাসায়নিক বুৎপন্নৰ ব্যৱহাৰ প্ৰত্যাহাৰ। ৫। ব্যৱহৃত প্ৰতিটো পৰমাণুয়েই পৰাপক্ষত উৎপাদন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ নিশ্চয়তা (Atom Economy) ৬। ব্যৱহৃত হোৱাৰ পিছত বিভাজিত হ'ব পৰা যৌগৰ উৎপাদন।

একে ষাৰতে ক'বলৈ গ'লে - Green Chemistry eliminates waste at source, i.e. it is primary pollution prevention rather than waste remediation (end-of-pipe solution). Prevention is better than cure is its prime principle.

ওপৰৰ ৩নং দিশৰ এটা উদাহৰণেই জৈৱ প্ৰযুক্তিত সেউজ ৰসায়নৰ যথাৰ্থতা প্ৰতিফলিত কৰাৰ বাবে যথেষ্ট। সেয়া হ'ল জৈৱ সংশ্লেষণত জৈৱ অনুঘটক (Biocatalyst) ৰ ব্যৱহাৰ। সেউজ ৰসায়নৰ পৰিপ্ৰেক্ষিতত জৈৱ অনুঘটন প্ৰক্ৰিয়াৰ উল্লেখনীয় বৈশিষ্ট্য সমূহ হ'ল- সুষম বিক্ৰিয়া অৱস্থা, পৰিৱেশোপযোগী অনুঘটক আৰু দ্ৰাবক আৰু অতিসক্ৰিয় বহুকাৰ্যকৰীমূলক বিশিষ্ট অণুৰ ব্যৱহাৰ। এনে প্ৰক্ৰিয়াত ব্যৱহাৰ হোৱা এন্‌যাইমে পূৰ্বৰ প্ৰচলিত জৈৱ সংশ্লেষণত প্ৰয়োজন হোৱা কাৰ্যকৰী মূলকৰ সক্ৰিয়ণৰ সমস্যা দূৰ কৰাত সহায় কৰে। ইয়াৰোপৰি ই প্ৰক্ৰিয়াটো হ্ৰস্ব, লাভজনক পথেৰে আগুৱাই লৈ যায়। বৰ্ত্তমান উদ্যোগিক জৈৱ সংশ্লেষণত প্ৰভূত পৰিমাণে জৈৱ অনুঘটক ব্যৱহাৰ হ'ব ধৰিছে আৰু প্ৰায় ১৩০ ৰ অধিক প্ৰক্ৰিয়া বাণিজ্যিক ভাৱে স্বীকৃত হৈছে। পুণঃসংযোজিত DNA পদ্ধতিৰ দ্বাৰা সুলভ মূল্যত আজি যিকোনো এন্‌যাইম উৎপন্ন কৰিব পৰা হৈছে। প্ৰটিন প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে বিভিন্ন পদ্ধতি যেনে স্থান নিৰ্দেশক মিউটাজেনেছিচ আদিৰ জৰিয়তে এন্‌যাইম সমূহৰ কাৰ্যসমূহ নিয়ন্ত্ৰিত কৰাটোও সম্ভৱ হৈ পৰিছে।

৬- এমিন পেনিচিলেনিক এচিডৰ (6-APA) উৎপাদনত জৈৱ অনুঘটকৰ ব্যৱহাৰে জৈৱ প্ৰযুক্তিত সেউজ ৰসায়নৰ উপযোগিতাৰ এক নিদৰ্শন ডাঙি ধৰে। 6-APA হ'ল অৰ্ধ-সংশ্লেষিত পেনিছিলিন আৰু চিফালছ'পৰিন এন্টিবায়টিক উৎপাদনৰ কেঁচা সামগ্ৰী। ইয়াক পেনিচিলিন G ৰ জলবিশ্লেষণৰ জৰিয়তে পোৱা যায়। এই প্ৰক্ৰিয়াত পৰিৱেশ অনুপযোগী বিকাৰক, অপকাৰী ক্লৰিনযুক্ত দ্ৰাবক ($CH_2Cl_2$) ব্যৱহাৰ হোৱাৰ উপৰিও বিক্ৰিয়াৰ উষ্ণতা অতিশয় নিম্ন (- 40°c) কৰিব লগীয়া হয়। 0.6 Kg $Me_3Sicl$, 1.2 Kg $Pcl_5$, 1.6 Kg Ph N $Me_2$, 0.2 Kg $NH_3$, 8.41 Kg n-Bu OH আৰু 8.41 Kg, $C_2H_2Cl$ প্ৰয়োগ কৰি মাত্ৰ 1 Kg 6-APA প্ৰস্তুত কৰিব পৰা যায়। কিন্তু তাৰ বিপৰীতে এনযাইমৰ উপস্থিতিত পেনিচিলিন G ৰ ভংগন কেৱল পানী দ্ৰাবকতে, সাধাৰণ উষ্ণতাতে (37°c) সম্পন্ন হয় আৰু ইয়াত মাত্ৰ বিকাৰক হিচাবে এমনিয়া (0.9 Kg / Kg of 6 - APA) ব্যৱহৃত হয়। দ্বিতীয় প্ৰক্ৰিয়াটো সেউজ ৰসায়ণ প্ৰক্ৰিয়া যিটো একেবাৰে, সহজ, দ্ৰুত, বাণিজ্যিক ভাৱে লাভজনক হোৱাৰ উপৰিও পাৰ্শ্বক্ৰিয়াহীন তথা পৰিৱেশ উপযোগী।

আন কথাত ক'বলৈ গ'লে এন্‌যাইমৰ লগতে অন্যান্য জৈৱ ৰাসায়নিক যৌগসমূহৰ অতি নিৰ্দ্ধাৰিত (Superlative Selectivity) কাৰ্য্যক্ষমতাৰ পৰিসৰ বৃদ্ধি কৰিবৰ বাবে অহৰহ প্ৰচেষ্টা চলাই থকা হৈছে আৰু তাৰ ফলস্বৰূপে সেউজ ৰসায়নে, "সেউজ জৈৱ প্ৰযুক্তি" বা Green Biotechnology নামে এক নতুন ধাৰাৰ জন্ম দিছে। বায়'ডিজেল, ফুৱেল চেল বা ইন্ধনকোষ ইত্যাদি এই ধাৰাৰেই নতুন পদক্ষেপ যি অদূৰ ভৱিষ্যতে মানৱজাতিক Sustainable development ৰ দিশে আগুৱাই লৈ যাব বুলি আশা কৰিব পৰা যায়।

* মুৰব্বী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ, সোণাৰি মহাবিদ্যালয়। তেখেতে EHMO and Normal Coordinate Analysis of some dithiocomplexes ৰ ওপৰত Ph. D. লাভ কৰে।





# বৈজ্ঞানিক বিয়াৰ প্ৰস্তুতি

ড° হেমন্ত কুমাৰ ফুকন*

বিয়া সভ্য তথা জীৱশ্ৰেষ্ঠ মানুহৰ সমাজ স্বীকৃত এক বংশবৃদ্ধিৰ ব্যৱস্থা আৰু এই ব্যৱস্থাৰেই যুগ যুগ ধৰি মানুহৰ সংখ্যা বৃদ্ধি হৈ বৰ্তমানৰ বিস্ফুৰণমুখী পৰিৱেশৰ সৃষ্টি হৈছেহি। বিয়াৰ সংজ্ঞা এনে কঠুৱাভাৱে দিয়া বাবে বহুতৰ নিশ্চয় আপত্তি থাকিব পাৰে কিন্তু এই সংজ্ঞাৰ বাস্তৱিকতাকো কোনেও নুই কৰিব নোৱাৰে। অৱশ্যে কেৱল বংশবৃদ্ধি (কণা, কুঁজা, ৰোগীয়া সমৃদ্ধ) বুলি নকৈ উৎকৃষ্ট সন্তান-সন্ততিৰ জন্ম দিয়াৰ লক্ষ্যৰেই বিয়াৰ প্ৰস্তুতি বুলি ক'লে বেছি খাপ-খোৱা হয়। উচ্চ শিক্ষিত সমাজৰ পৰা আদি কৰি আক্ষৰিক জ্ঞানশূন্য অঘৰী সমাজলৈকে সকলোৱেই নিজৰ সন্তান-সন্ততি নিৰোগী, স্বাস্থ্যবান, দীৰ্ঘায়ু আৰু জ্ঞানী হোৱাটো কামনা কৰে। ই মানুহৰ এক স্বাভাৱিক প্ৰবৃত্তি। দোকানৰ পৰা মূল্য দি অনা বস্তু এটা যেনেকৈ নিভাজ আৰু নিখুঁত হোৱাটো সকলোৱে বাঞ্চা কৰে , ঠিক তেনেকৈয়ে নিজৰ সন্তানটো আনতকৈ শ্ৰেষ্ঠতৰ হোৱাটো প্ৰতি দম্পতিৰেই কাম্য (তুলনা আকৌ আপত্তিজনক হ'ব পাৰে)। আনহাতেদি আমাৰ সমাজ ব্যৱস্থাও এনে যে ব্যক্তিবিশেষ, পৰিয়াল, সম্প্ৰদায়, জাতি আদি বিভিন্ন স্তৰে বিয়া এখনৰ প্ৰস্তুতিত ভিন ভিন ধৰণেৰে দায়িত্ব বহন কৰে। উদাহৰণ স্বৰূপে ওচৰ সম্পৰ্কৰ মাজত বিয়াত বাধা, জাত-কুল বিচাৰ আদিৰ যোগেদি এনে দায়িত্বশীলতাৰ পৰিচয় দিয়ে। গতিকে উৎকৃষ্ট সন্তান-সন্ততিৰ কামনা কেৱল নিৰ্দ্দিষ্ট দম্পতিৰ নহৈ গোটেই সমাজখনৰ এক উমৈহতীয়া দায়িত্ব হৈ পৰে আৰু সেয়ে এখন বিয়াৰ প্ৰস্তুতিত যথা সম্ভৱ সকলো দিশ চালি-জাৰি চাইহে সিদ্ধান্ত লোৱা হয়।

সামাজিক বাধ্য-বাধকতাৰ উপৰিও দিন-বাৰ, বাহিযোৰা আদি চোৱাটো প্ৰায় প্ৰতিখন বিয়াৰ এৰাব নোৱাৰা পূৰ্বপ্ৰস্তুতিৰ বিষয়। এই চোৱা মেলা কৰাৰ মূল ভেটি জ্যোতিষ বিদ্যা আৰু এই বিদ্যাৰ আলমতে নৱ-দম্পতিৰ ভৱিষ্যতে হ'ব পৰা অপায়-অমঙ্গল ৰোধৰ বাবে বিভিন্ন বিধানো দিয়া হয়। এই জ্যোতিষ বিদ্যাৰ বিধি-বিধান আদিত বৈজ্ঞানিক সত্যতা আছেনে নাই বা জ্যোতিষ বিদ্যাক বিজ্ঞানে স্বীকৃতি দিয়েনে নিদিয়ে এই লৈ অনেক বাদানুবাদ চলিয়েই আছে আৰু এতিয়াও এক সু-মীমাংসা হোৱা নাই, এই লেখাৰ পৰিসীমাত আমি এই বিতৰ্ক সোমোৱাব খোজা নাই। কেৱল পাঠকৰ বিচাৰৰ বাবে দুই এটা তুলনামূলক আলোচনাহে আগবঢ়াব খুজিছোঁ।

সামাজিক ভাৱে নিকট সম্পৰ্কীয়ৰ মাজত বৈবাহিক সম্বন্ধত থকা বাধা-নিষেধৰ আধাৰ আছেনে? ইয়াৰ পোনপটীয়া উত্তৰ হ'ল আছে। নিকট সম্পৰ্ক মানেই হ'ল প্ৰায় একে ধৰণৰ জিনৰ উপস্থিতি। জিনবিলাকে জীৱৰ শৰীৰত বিভিন্ন বৈশিষ্ট্য প্ৰকাশ কৰে - যিহেতু সন্তান জন্মৰ বাবে পুংজনন কোষ আৰু স্ত্ৰীজনন কোষ মিলন হোৱাটো প্ৰয়োজন সেইবাবে সন্তানৰ দেহত দেউতাকৰ এটা জিন আৰু মাকৰ এটা জিন যোৰ পাতি থাকে (মিলনৰ যোগেদি যোৰ পাতে)। এযোৰ জিনে এটা বৈশিষ্ট্যহে প্ৰকাশ কৰে আৰু সেই প্ৰকাশ কৰা বৈশিষ্ট্যটো যোৰ পাতি থকা জিন দুটাৰ মাজত প্ৰবল জিনটোত নিহিত থাকে। অৰ্থাৎ আনটো জিন আবৃত

(সুপ্ত) হৈ থাকে আৰু নিজৰ বৈশিষ্ট্য প্ৰকাশ কৰিব নোৱাৰে। এটা উদাহৰণ এনে ধৰণৰ ঃ দেউতাকৰ দেহত থকা Hh জিন আৰু মাকৰ দেহত থকা জিনো Hh (যিহেতু দুয়ো ওচৰ সম্পৰ্ক)। এতিয়া দেউতাকৰ পুংজনন কোষৰ এটাত H আৰু আনটোত h থাকিব, সেইদৰে মাকৰ স্ত্ৰীজনন কোষৰ এটাত H আৰু আনটোত h থাকিব, যদি H জিন থকা পুংজনন কোষৰ লগত H জিন থকা স্ত্ৰী কোষৰ মিলন হয় তেনে সন্তানৰ জিন HH হ'ব, তেনেকৈ h ৰ লগত h ৰ মিলন হ'লে hh হ'ব। এই ক্ষেত্ৰত যদি h জিন এবিধ ৰোগ সৃষ্টি কৰা জিন হয় আৰু H টো সুস্থ বৈশিষ্ট্যৰ হয় আৰু লগতে H জিনটো যদি প্ৰবল (Dominant) হয় তেনে Hh অৱস্থা থকা সন্তানত h জিনটোৱে কোনো ৰোগৰ সৃষ্টি কৰিব নোৱাৰিব (কাৰণ h জিনটো Hh অৱস্থাত আবৃত হৈ থাকিব) কিন্তু hh থকা সন্তানবোৰৰ ক্ষেত্ৰত ৰোগটো প্ৰকাশ পাব (কাৰণ ৰোগ সৃষ্টিকাৰী h জিনক আবৃত কৰি ৰাখিবলৈ H জিন নাই) ওচৰ সম্পৰ্ক হোৱা বাবে এই উদাহৰণত দিয়া পিতৃ-মাতৃৰ দেহত থকা জিনবোৰ একে (Hh)। গতিকে এনে পিতৃ-মাতৃৰ পৰা ৰুগীয়া সন্তান (hh) ৰ জন্ম হ'ব পৰা সম্ভাৱনা থাকে, কিন্তু দূৰ সম্পৰ্কৰ হ'লে (জিনবোৰ Hh আৰু HH হে হ'ব) এনে ৰুগীয়া সন্তান জন্ম নহয় (Hh, HH হে হ'ব)। গতিকে ওচৰ সম্পৰ্কৰ মাজত বিয়া হ'লে ভৱিষ্যতৰ বংশধৰসকল ৰুগীয়া হোৱাৰ সম্ভাৱনা থাকে। বৈজ্ঞানিক ব্যাখ্যা সম্বলিত নহ'লেও যুগ যুগ ধৰি আমাৰ সমাজত বিয়াৰ ক্ষেত্ৰত চলি অহা এই নিষেধাজ্ঞা যে স্বাভাৱিকতেই বিজ্ঞানসন্মত সি ইয়াৰ দ্বাৰাই প্ৰমাণিত হ'ল। উল্লেখিত উদাহৰণৰ h জিনটোৱে হিমফিলিয়া(Haemophilia) নামৰ তেজ ক্ষৰণ হৈ মৃত্যু ঘটাব পৰা এবিধ ৰোগ সৃষ্টি কৰে আৰু এই h জিনৰ দ্বাৰা ইংলণ্ডৰ ৰাণী ভিক্টৰিয়াৰ পৰিয়ালটো আক্ৰান্ত হৈছিল (বুজাৰ সুবিধাৰ বাবে উদাহৰণটোত লিংগ সহলগ্নতাৰ কথা বাদ দিয়া হৈছে)।

দৰা-কইনা উভয় পক্ষই আন এটা দিশ সাৱধানতাৰে বিচাৰ কৰা দেখা যায় আৰু এই বিষয়টো হ'ল পৰিয়াল বা ওচৰ সম্পৰ্কৰ কাৰোবাৰ বিশেষ কেতবোৰ ৰোগ আছে বা আছিল নেকি? এই ৰোগবোৰৰ ভিতৰত পগলা হোৱা ৰোগটোৱেই প্ৰধান আৰু এই ৰোগ থকাৰ উমান পালে সাধাৰণতে বিয়া ভাগি যোৱা দেখা যায়। এইবোৰৰ বৈজ্ঞানিক ভিত্তি আছেনে? প্ৰকৃততে অনেক ৰোগ আছে যিবোৰ পুৰুষানুক্ৰমে মানৱ সমাজত চলি থাকে, এইবোৰক বংশগত ৰোগ নামে অভিহিত কৰা হয়। বংশগত ৰোগ কেনেদৰে পুৰুষানুক্ৰমে প্ৰবাহিত হয়, কোনো এটা পুৰুষত সেই ৰোগটো প্ৰকাশ কিয় নহয়, আকৌ কোনোকালে নথকা এনে কিছুমান ৰোগ হঠাতে ক'ৰপৰা আৱিৰ্ভাৱ হয় এনে অনেক প্ৰশ্নৰ উত্তৰ চমুতে দিয়াটো সম্ভৱ নহয়, সহজতে বুজিবলৈ হ'লে কথাটো এনে ধৰণৰ হ'ব, কিছুমান ৰোগ বংশানুক্ৰমে চলি থাকে অৰ্থাৎ নিৰ্দিষ্ট কেতবোৰ জিনে এনে ৰোগ সৃষ্টিকাৰী জিনৰ বাহক হ'ব পাৰে। এই বাহক জিনটো অন্য এক বাহকৰ জিনৰ লগত মিলন হ'লে ৰোগটো প্ৰকাশ পাব পাৰে (আগতে উল্লেখ কৰি অহা Hh আৰু Hh অৱস্থা), অৰ্থাৎ সদায় যে ৰোগটো প্ৰকাশ পাবই তাৰ কোনো নিশ্চয়তা নাথাকে। এলবিনিজম (Albinism- চুলি, চকু, ছাল আদিত ৰঞ্জক পদাৰ্থ মেলানিন নথকা, অৰ্থাৎ বৰণহীন অৱস্থা), মঙ্গলয়ড (Mongoloid- কপাল উঠঙা, ঘূৰণীয়া মুখমণ্ডল, লালটি বৈ থকা, চাপৰ আৰু বুদ্ধিহীন ব্যক্তি) আদি জাতীয় বংশগত ৰোগ থকা ব্যক্তিসকলে সহজতে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে কৌতূহলৰো সৃষ্টি কৰে আৰু স্বাভাৱিকতে এনে ব্যক্তি থকা পৰিয়াল বা বংশৰ লগত বৈবাহিক সম্বন্ধ কৰাৰ ক্ষেত্ৰত কোনো আগ্ৰহী নহয়। অৱশ্যে উল্লেখিত ৰোগবোৰৰ নাম তথা ৰোগৰ বিশেষ লক্ষণসমূহ সৰ্বসাধাৰণৰ বোধগম্য নহ'বও পাৰে, কিন্তু ৰোগীয়া ব্যক্তিজনৰ সাধাৰণ বাহ্যিকতাখিনিয়েই বিকৰ্ষণৰ কাৰণ হ'ব পাৰে।



Genepool Vol.1, No.1, 2008

গতিকে এনে বিচাৰ বিবেচনাৰে আগবঢ়া এখন বিয়াৰ প্ৰস্তুতি যে প্ৰকৃততেই বিজ্ঞানসন্মত সি স্বীকাৰ কৰিবলগীয়া।

কোনো কোনো সমাজত জ্যোতিষ বিদ্যাৰ যোগেদি ৰাহি যোৰা চোৱা নিয়ম আছে। মূলতঃ দৰা-কইনা উভয়ৰে জন্মৰ সময়ৰ গ্ৰহ নক্ষত্ৰৰ স্থানৰ তুলনামূলক বিচাৰৰ যোগেদি যুগ্ম জীৱন কিমানদূৰ সফল হ'ব তাৰ মাত্ৰা নিৰ্ণয় কৰা হয়। কোনো ধৰণৰ কায়িক সম্পৰ্ক নথকা গ্ৰহ নক্ষত্ৰৰ অৱস্থান আদিৰ নিৰ্ণয়ৰ যোগেদি এখন বিয়াৰ প্ৰস্তুতি কিমানদূৰ বিজ্ঞানসন্মত সেইয়া নিশ্চয় বিচাৰ্যৰ বিষয়। আনহাতেদি অন্যান্য বহুতো সমাজ বা ধৰ্মীয় ৰীতি-নীতিত বা প্ৰেমজনিত বিবাহ আদিত এনে জ্যোতিষ বিচাৰ মুঠেই কৰা নহয়, কিন্তু ইয়াৰ গৰিষ্ঠ সংখ্যক বিয়াই স্থায়ী আৰু ফলপ্ৰসূ হৈছে যে সিয়ো সঁচা কথা। এতেকে বিয়া-বাৰুৰ ক্ষেত্ৰত জ্যোতিষ বিচাৰৰ প্ৰয়োজনীয়তা সঁচাকৈ আছেনে সিও ভাবিবলগীয়া।

এইটো স্বীকাৰ্য্য যে নৱ-দম্পতীৰ বহুতৰে ক্ষেত্ৰত সন্তানহীনতাৰ প্ৰাবল্য ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই প্ৰাবল্যৰ কাৰণ অৱশ্যে বিভিন্ন হ'ব পাৰে কিন্তু এখন বিবাহৰ প্ৰস্তুতিতো এই আসোঁৱাহৰ (সন্তানহীনতা) বীজ ৰোপিত হ'ব পাৰে। আগতে উল্লেখ কৰি অহা ওচৰ সম্পৰ্কৰ মাজত বিবাহ অনুষ্ঠিত হ'লে বিভিন্ন বংশগত ৰোগৰ যোগেদি সন্তান ভূমিষ্ঠ হোৱাৰ আগতেই মৃত্যুমুখত পৰিব পাৰে বা সাম্প্ৰতিক চিকিৎসা পদ্ধতিৰে আৰোগ্য কৰিব নোৱাৰা ৰোগযুক্ত সন্তান জন্ম হ'ব পাৰে। ইয়াৰ উপৰি দম্পতিৰ ৰক্তদলৰ (Blood group) অমিলৰ বাবেও (Rh-Positive, Rh-Negative) গৰ্ভস্থ সন্তান ৰক্তকোষ নষ্ট হৈ মৃত্যুৰ মুখত পৰিব পাৰে (Erythroblastosis foetalis) বা দম্পতিৰ কোনো এজনৰ শৰীৰত লিথেল' জিন (Lethal genes- মৃত্যু ঘটাব পৰা জিন) ৰ উপস্থিতিৰ ফলত থেলাছেমিয়া মেজৰ ইনফেনটাইল এমাউৰটিক ইডিঅ'চি আদি জাতীয় ৰোগযুক্ত সন্তানৰ জন্ম হ'ব পাৰে যি জন্ম হোৱাৰ কিছুদিনৰ ভিতৰতে মৃত্যুমুখত পৰে। আকৌ মাতৃৰ ৰোগ প্ৰতিৰোধী ব্যৱস্থাৰ বাবেও কোনো দম্পতিৰ একাধিক গৰ্ভপাত হোৱাও দেখা যায়। গতিকে বিয়া এখনৰ যোগাৰ কৰোঁতে উপযুক্ত দৰা-কইনাৰ বিচাৰ আৰু উপৰিউক্ত আসোঁৱাহ সমূহ নথকা অতীব প্ৰয়োজনীয় কথা। ইতিমধ্যে বংশগতি বিদ্যাৰ বিকাশে তথা বংশগতি সম্পৰ্কীয় পৰামৰ্শ ল'ব পৰা ব্যৱস্থাই বিবাহ প্ৰত্যাশী পুৰুষ-মহিলা উভয়ৰে উপযুক্ততা নিৰ্ণয় সহজ কৰি তুলিছে। অৱশ্যে এনেবোৰ প্ৰস্তুতিৰ কাম কৰিবলৈ যাওঁতে আমাৰ সমাজ তথা ব্যক্তিগত পৰ্যায়ত মানসিক পৰিৱৰ্তন তথা প্ৰস্তুতিৰো প্ৰয়োজন হ'ব।

একবিংশ শতিকাত ভৰি দিয়া আমাৰ সমাজে বিজ্ঞানৰ নৱ নৱ আৱিষ্কাৰক আদৰেৰে আঁকোৱালি লৈ জীৱনটো সুন্দৰকৈ উপভোগ কৰাৰ প্ৰচেষ্টাত অকণো কৃপণালি কৰা নাই বা কোনো আকোঁৰগোজ মনোবৃত্তিৰে বিজ্ঞানৰ প্ৰগতিক অস্বীকাৰ কৰিবও খোজা নাই, তেনে ক্ষেত্ৰত নতুন প্ৰজন্ম গঢ়াৰ জুইশাল স্বৰূপ আমাৰ বিয়া নামৰ সামাজিক ব্যৱস্থাটোকো বিজ্ঞানসন্মতকৈ সজাই পৰাই লোৱাটোত কোনো দ্বিমত থাকিব নালাগে। সেই বাবে প্ৰতিখন বিয়াৰ প্ৰস্তুতি বৈজ্ঞানিক হোৱাটোৱেই আমাৰ কাম্য। +++

* অধ্যক্ষ, শিৱসাগৰ ছোৱালী কলেজ। কোষবিদ্যা আৰু বংশগতিবিদ্যাৰ গৱেষক। প্ৰবন্ধটি তেখেতৰ "জীৱন, বিজ্ঞান আৰু অন্যান্য" গ্ৰন্থৰ ।

# দুষ্প্ৰাপ্য গঁড়ৰ পিছে পিছে

সুস্মিতা দেৱী *



অতীতৰ সেই দিন আকৌ ঘূৰি নাহে। গছ-গছনি, পশু-পক্ষীৰে ভৰপূৰ গভীৰ অৰণ্য গুচি সেইবোৰ ঠাইত আজি সু-সজ্জিত অট্টালিকা গঢ়ি উঠিছে। লোভ,মোহ তথা বৰ্ধিত চাহিদা পূৰণৰ বাবে মানুহে অৰণ্যৰ ওপৰত প্ৰবল হেঁচা দিছে। পানীৰে ভৰপূৰ নদ-নদীৰে মানুহৰ পেলনীয়া, লেতেৰা আৱৰ্জনাৰে ভৰি পৰিছে। বৰ্ধিত জন সমুদ্ৰৰ প্ৰলয়ংকাৰী ঢৌৰে প্ৰকৃতিৰ সমৃদ্ধশালী জীৱ বৈচিত্ৰতাৰ ওপৰত ভয়াবহভাৱে স্খলন আনিছে। এই মহাসংকটৰ বাবে এসময়ত এশিঙীয়া গঁড় আজি প্ৰায় বিলুপ্তিৰ শেষ সীমাত উপনীত হৈছেহি, বৰ্ত্তমান কেৱল অসম , পশ্চিমবংগ আৰু নেপালতহে এইবিধ জন্তু পোৱা যায়।

১৯৪০ চনত কেৱল ১২ টা গঁড় কাজিৰঙাৰ অ'ত-ত'ত বা ওচৰতে পোৱা গৈছিল। ভাৰতবৰ্ষৰ অধিকাংশ গঁড় অসমৰ কাজিৰঙা জাতীয় উদ্যানতে আছে। তদুপৰি অসমৰ ওৰাং, মানাহ, আদি অভয়াৰণ্যত ইহঁতক পোৱাযায়। কিন্তু নিৰ্বিচাৰ হত্যা, বাসভূমিৰ বিনাশ আৰু পৰিৱৰ্তিত পৰিৱেশৰ বাবে ইহঁতৰ সংখ্যা লাহে লাহে কমি আহিছে আৰু মানুহৰ বিবেচনাহীন নিৰ্মমতাৰ বাবে হোৱা বন্য প্ৰাণীৰ বিলুপ্তিৰ ফলত আমাৰ পৰিৱেশ তন্ত্ৰত অত্যন্ত কু-প্ৰভাৱ পৰিছে।

ভাৰতীয় জাতীয় জীৱনত কৃষ্টি- সংস্কৃতি, স্থাপত্য- ভাস্কৰ্যৰ সৈতে গঁড়ৰ সম্পৰ্ক অতি ঘনিষ্ঠ। জনজাতীয় বিশ্বাসতো গঁড়ৰ স্থান নিম্নস্তৰৰ নহয়। বহুতো লোকে কামনা কৰে যে তেওঁলোকৰ সতি সন্ততি গঁড়ৰ দৰে শক্তিশালী আৰু সাহসী হওঁক।





এনে এক ঐতিহ্য বিজড়িত ৰাজকীয় প্ৰাণীক বিলুপ্তিৰ মুখৰ পৰা ৰক্ষা কৰাটোৱেই হৈ পৰিছে আমাৰ বাবে এক ডাঙৰ প্ৰত্যাহবান।

হাতীৰ পিছতে দ্বিতীয় বৃহৎ এই স্তন্যপায়ী প্ৰাণীবিধৰ ছাল অত্যন্ত ডাঠ আৰু অতি পাতল নোমযুক্ত। মতা গঁড়ৰ উচ্চতা ১৮৫ ছেঃ মিঃ পৰ্যন্ত আৰু ওজন প্ৰায় ২০৭০ কেঃ জিঃ পৰ্য্যন্ত হয় আৰু মাইকীবোৰ সেই অনুপাতে অলপ সৰু হয়। ইহঁতৰ উচ্চতা ১৬০ ছেঃ মিঃ পৰ্যন্ত আৰু ওজন প্ৰায় ১৬০০ কেজি পৰ্যন্ত হয়। ইহঁতৰ শৰীৰৰ কাষৰ ফালে তপিনা আৰু কান্ধৰ ওপৰৰ ছালখিনি ওখোৰা মোখোৰা হৈ থাকে। নাকৰ ওপৰত এটা খড়গ থাকে। সাধাৰণতে খড়গটো ৩০ ছেঃ মিটাৰতকৈ বেছি দীঘল হোৱা দেখা নাযায়। গঁড় সাধাৰণতে বোকাময়, জলাশয়ৰ ঘাঁহনিত আৰু ডাঠ অৰণ্যতো পোৱা যায়। এই তৃণভোজী প্ৰাণীবিধে অকলশৰীয়াকৈ থাকি ভাল পায়। গঁড়ৰ খড়গটো এবিধ অতি মূল্যবান সম্পদ বুলি জনা যায়। গঁড়ৰ খড়গটোৰ বাবে সাধাৰণতে গঁড়ক বেছিকৈ হত্যা কৰা হয়। বহুতো মানুহৰ সাধাৰণ ধাৰণা যে, গঁড়ৰ খড়গটোৰ বহুত ঔষধি গুণ আছে। বহুসংখ্যক মানুহে অন্ধ বিশ্বাসত পৰি গঁড়ৰ শৰীৰৰ প্ৰতিটো অংশ যেনে ছাল, খড়গ, মাংস, হাড় আৰু শৌচ প্ৰস্ৰাৱ তথা তেজো বহুল ভাৱে ব্যৱহাৰ কৰিলে ৰোগ নিৰাময় হয় আৰু মানুহৰ জীৱনলৈ সৌভাগ্যও আহে বুলি ভাবে। গঁড়ৰ এটা খড়গ মূল্য চোৰাং বজাৰত ২.৫ লাখ টকালৈ হয়। সাধাৰণতে গঁড়ৰ খড়গৰ বাবেই ইয়াক বেছিকৈ হত্যা কৰা হয়। সুখৰ বিষয় যে, সংৰক্ষণৰ পৰিমাণ ১৯০৪ চনৰ পৰা ইয়াক আগৰ অৱস্থালৈ নিয়াৰ বাবে সহায় কৰাত সমৰ্থ হৈছে। ইয়াৰ সংখ্যা আমাৰ দেশত ১,০০০টা। গঁড়ৰ সংখ্যা ১৯৪৬ চনত ক্ৰমে ৫,০০ৰ পৰা ১৯৭২ চনত ৮৭০ লৈকে বৃদ্ধি হৈছে। ১৯৯৩ চনৰ পিয়লমতে কাজিৰঙাৰ মুঠ গঁড়ৰ সংখ্যা আছিল ১৯৬৪ টা। ইয়াৰ বিলুপ্তিৰ কাৰণ হৈছে যে কৃষিকাৰ্য, উদ্যোগীকৰণ,পৰিৱেশ প্ৰদূষণ, বনাঞ্চল ধ্বংস আদিৰ কাৰণে ইহঁতৰ প্ৰাকৃতিক আবাস স্থান ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে। ইয়াৰ ফলত খাদ্যৰ অভাৱ তথা চলা-ফুৰাৰ বাবে ঠাইৰ অভাৱ হৈছে যাৰ ফলত ইহঁতৰ সংখ্যা হ্ৰাস পাইছে আৰু ফলত অৱলুপ্তিৰ ফালে গতি কৰিছে। কাঠ,খৰি আদিৰ বাবে গছ-গছনিবোৰ ধ্বংস কৰাৰ ফলত ইহঁতৰ প্ৰিয় খাদ্যৰ অভাৱ হৈছে আৰু থাকিবৰ বাবে বাসভূমিৰ বিনাশ ঘটিছে। ইয়াৰ ফলত ইহঁতৰ সংখ্যা ক্ৰমে হ্ৰাস পাইছে। ইয়াৰ উপৰি ইয়াৰ প্ৰধান কাৰণ হৈছে যে, খাদ্যৰ বাবে আৰু যে খাদ্যৰ বাবে আৰু নোম, ছাল, দাঁত, শিং খড়গ আদিৰ বাবে অবিবেচনামূলক ভাৱে ইহঁতক চিকাৰ কৰাৰ ফলতো ইহঁতৰ অৱলুপ্তি ঘটিছে। সেই বাবে এতিয়া প্ৰায় বিলুপ্তিৰ শেষ সীমাত পৰিছেহি।

এই ক্ষণত আমাৰ প্ৰধান কৰণীয় হৈছে যি কোনো প্ৰকাৰে গঁড়ক বিলুপ্তিৰ মুখৰ পৰা ৰক্ষা কৰা। অৰণ্যৰ দাঁতি কাষৰীয়া জনসাধাৰণ, চৰকাৰ আৰু আন্তৰিকতাৰ অবিহনে শোভযাত্ৰা পাতি কোনেও গঁড়ক সংৰক্ষণ কৰিব নোৱাৰে।

* স্নাতক প্ৰথম বাৰ্ষিক, সোণাৰি মহাবিদ্যালয়।

# বিল সমূহৰ পৰা বিলুপ্ত হ'বলৈ ধৰা কাছ প্ৰজাতি ঃ এক তথ্যভিত্তিক অধ্যয়ন

দেৱজিৎ চেতিয়াফুকন *



সাম্প্ৰতিক সময়ত আমি নিজ স্বাৰ্থ পূৰাবলৈ প্ৰকৃতি ধ্বংস কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছোঁ। ৰক্ষকেই ভক্ষক হৈছোঁ। দুৰ্নীতিয়েই নীতি বুলি পৰোক্ষভাৱে হ'লেও মানি লবলৈ কুণ্ঠাবোধ নকৰোঁ ।

এটা কথা যদি আমি পৰ্য্যৱেশন কৰো দেখা যাব বিজ্ঞানে উন্নতিৰ জখলাত দ্ৰুতগতিত আগবঢ়াৰ লগে লগে মানুহকে ধৰি জীৱ-জন্তুৰ আয়ুস দ্ৰুত গতিত কমি আহিছে। এটা নিৰোগী স্বাস্থ্য আৰু উপযুক্ত আয়ুস পোৱাত যে, প্ৰকৃতিৰ উপাদানবোৰৰ নিতান্তই প্ৰয়োজন তাক আমি নুই কৰিব নোৱাৰোঁ। জ্যোতিমা ফুকন বাইদেউৰ তত্ত্বাৱধানত প্ৰজেক্টৰ অংশ হিচাপে প্ৰকৃতিৰ নৈ, বিল, ৰিজাৰ্ভ, খেতি পথাৰ, মাছ -কাছ আদি অধ্যয়ন কৰিবলৈ যাওঁতে ঃ

১। আগতে নেদেখা আমাৰ অজ্ঞাত প্ৰকৃতিৰ বিনন্দীয়া ৰূপ দেখি আমি মোহিত হওঁ।

২। ভালকৈ লক্ষ্য কৰাৰ লগে লগে ওলাই পৰিল যে মানুহে ভোগ বিলাসিতাৰ বাবে ভৱিষ্যতৰ কথা নাভাবি সেইবোৰ তলে তলে ধ্বংস কৰিছে।

৩। প্ৰকৃতিক প্ৰাকৃতিক ৰূপত ৰক্ষণাৱেক্ষণ নিদিয়াৰ বাবে আমাৰ চৰকাৰৰ শাসন ব্যৱস্থাটোৰ ওপৰত খং উঠে।

সোণাৰি অঞ্চলৰ ওচৰ পাজৰৰ কেইখনমান বিলত কাছৰ বিলুপ্তিৰ অধ্যয়ন কৰিবলৈ গৈ যি জানিছিলো -

ধেমাজি, দিচাংপানী, মাহমৰা, গৰৈমাৰী, কাকতিবাৰী ভজো মাজৰ বিল, মিৰিপথাৰ বিল, থুকোবিল, সাপেখাতীৰ আটলপথাৰৰ অখ্যাত ইৰাণী বিল আদি কেইখন মান বিলৰ মাছ মৰীয়া আৰু স্থানীয়লোকৰ ভাষ্য অনুসৰি - কাছ হত্যাৰ... ঃ নৃশংস! নৃশংস!!

১। খৰালি দিনত পানী কমিলে বিলৰ দ অংশত কাছৰ লগতে ডাঙৰ জাতৰ মাছ সমূহে আশ্ৰয় লয়। এনে খৰালি মাহৰে কোনোবা এটা দিন ঠিক কৰি কেইবাখনো গাঁৱৰ ৰাইজ মিলি বিলৰ দ' অংশত কোল বা পুটিং (লোহাৰৰ জোঙা যাঠী) মাৰে ।কাছৰ চলঙত লাগিলেই গম পায় আৰু পানীৰ তলতে কাছৰ মূৰটো কোন দিশে আছে ঠিক কৰি চলঙৰ তলৰ কোমল অংশত খুচি হত্যা কৰা হয়। আৰু বামলৈ তোলাহয়। এই দিনটোত কিমান কাছ আৰু বিলুপ্ত প্ৰায় মাছ মৰে হিচাপ নাথাকে।





বৰঞ্চ কোনে কিমান ধৰিব পাৰে তাৰহে প্ৰতিযোগিতা চলে।

২।বৰ্তমানেও আমি নদী আৰু বিলসমূহৰ পাৰসমূহ লক্ষ্য কৰিলে দেখোঁ যে তাত কিছুমান বৰশী অনবৰত পাতি থোৱা থাকে। এই বৰশীবোৰৰ মতলব ভাল নহয়। যিদিনা কাছ লাগে পোৱাৰ লগে লগে কুল সুমুৱাই কাছজনীক হত্যা কৰে।

৩। খেয়ালি, টাহনি আদি বিভিন্ন জাল, বাম অংশত জাকৈ মাৰিও কাছ ধৰা হয়। আৰু বহুতোকাছ ধৰাৰ নৃশংস প্ৰণালী আছে।

এটা কথা কাছ হত্যাকাৰীসকলে চতুৰালিৰে লক্ষ্য কৰি লয় - পানীৰ তলত কাছজনীৰ মূৰটো কোনটো দিশত আছে আৰু কাছজনী লুটি খোৱাৰ পৰা যাব নেকি?

কিয় হত্যা কৰা হয় কাছ??

১। আমি জানো যে কাছৰ জীৱন কাল যথেষ্ট দীঘলীয়া। কথিত আছে কাছৰ মাংস খালে মানুহৰো আয়ুস বৃদ্ধি হয়। গতিকে চুৰ কৰি হ'লেও কাছৰ মাংস খাবলৈ বিচাৰে। এইটো কাৰণেই কাছ হত্যা কৰা হয় বেছি পৰিমাণে।

২। বিভিন্ন ঔষধত কাছৰ চলঙৰ মাংস লাগে। সেইবাবেও হত্যা কৰা হয়। প্ৰবাদ আছে কাছৰ চলঙত ভাত খালে কোনো ৰোগ নহয় গতিকে আগতে মনে মনে কিছুমান মানুহে এই কামতো কৰিছিল।

৩। সমাজ ভেদে প্ৰচলিত আছে যে যিবোৰ ছোৱালীৰ ভৱিষ্যৎ জীৱন অশুভ হোৱাৰ কিবা ইংগিত থাকে, তুলনী বিয়াত কাছ দান দিলে শুভ হয় বুলি। সেয়েও বহু কাছ হত্যা কৰা হয়।

কেইবিধ মান কাছৰ প্ৰকাৰ ঃ

বহুতো প্ৰকাৰৰ কাছ আছে যদিও আমাৰ বিল সমূহত আগতে পোৱা কাছৰ প্ৰকাৰ স্থানীয় ভাৱে এনেকুৱা—

(ক) বেং কাছ ঃ বেংজনীৰ দৰে চলংখন অলপ সেউজীয়া মটীয়া বৰণৰ হয়। ইহঁত বেছি ডাঙৰ নহয়, প্ৰায় ১০ কেজি লৈকে ডাঙৰ হয়।

(খ) ধোৱা কাছ ঃ চলংখন কিছুমান ক'লামটীয়া বৰণৰ কিছুমান ৰঙচুৱা। ইহঁতো সৰু।

(গ) বৰ কাছ ঃ ইহঁত ১ কুইন্টল পৰ্যন্ত হ'ব পাৰে। চলং ক'লা ৰঙৰ।

বিলুপ্তিৰ কাৰণ হ'ব পাৰে ঃ

১। এবিধ বিশেষজাতৰ দলঘাঁহ কমি যোৱা। যিবোৰ ইহঁতৰ খাদ্য।

২। কাঠ বা গছৰ মুঢ়া কমি যোৱা য'ত ইহঁতে আশ্ৰয় লয় আৰু পুৱা ৰ'দ লয়, যিটো সিহঁতৰ বাবে প্ৰয়োজনীয়।

৩। কাছ ওলালে মাৰে বাবে ৰ'দ ল'ব নোৱাৰিও বহুত কাছ মৰিব পাৰে।

৪। কাছৰ বসন্তৰোগ হয় বুলি প্ৰচলিত আছে। এই ৰোগত ছালত টেমুনা উঠে। লগতে অন্যান্য বহুতো বেমাৰেও আক্ৰমণ কৰে।

৫। বিলৰ কাষত জনবসতি ঘন হোৱাত কণী পাৰিবলৈ ঠাই নোহোৱা হ'ল। যিহেতু কাছই বামত কণী পাৰে আৰু পানীত উমনি লয় বুলি কোৱা হয় আৰু নিজৰ পোৱালিবোৰকে মাকে ভক্ষন কৰে।

৬। পানীত (বিলৰ) $O_2$ ৰ পৰিমাণ আৰু $P^H$ ৰ তাৰতম্য হোৱাটোও কাছৰ মৃত্যুৰ কাৰণ হ'ব পাৰে। ইয়াৰ উপৰিও বহুতো 'মাইক্ৰ' কাৰণ থাকিব পাৰে।

উল্লেখ কৰাটো ভাল হ'ব যে বৰ্ত্তমানেও সাপেখাতী বনাঞ্চলৰ "ইৰানী" নামৰ অখ্যাত বিলত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত কাছ বহুতো আছে।

সামৰণি ঃ আহক প্ৰকৃতিক বচাওঁ, নিজেইও সু-স্বাস্থ্যৰে বাচি থাকোঁ আৰু ভৱিষ্যৎ প্ৰজন্মকো বাচি থকাত সহায় কৰি যাওঁ। ++++

* স্নাতক তৃতীয় বৰ্ষ, সোণাৰি মহাবিদ্যালয়।

# মানুহৰ বিলাসী বেমাৰৰ দুটিমান

সুমিত দাস*

১। পেংক্ৰিয়েটাইটিছ ঃ সাধাৰণতে অসমীয়াত ব্যৱহাৰ কৰা অগ্ন্যাশয় শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'পেংক্ৰিয়াছ'। যেতিয়া শৰীৰৰ ভিতৰত (পেটৰ) ভিতৰত থকা গুৰুত্বপূৰ্ণ গ্ৰন্থিৰ বিভিন্ন কাৰণত প্ৰদাহ হয় তেতিয়া তাক কোৱা হয় 'পেংক্ৰিয়েটাইটিছ'। এই ৰোগবিধ সম্পৰ্কে কিন্তু প্ৰায় ভাগ লোকেই অজ্ঞ। বহুতে সেয়ে পেটৰ বিষ বুলিহে ভাৱে। এই ৰোগ দুই প্ৰকাৰৰ। সেয়া হৈছে - (ক) একিউট পেংক্ৰিয়েটাইটিছ, আৰু (খ) ক্ৰ'নিক পেংক্ৰিয়েটাইটিছ। 'একিউট' শব্দটোৰ অসমীয়া প্ৰতিশব্দ হ'ল তীব্ৰ আৰু 'ক্ৰ'নিক' শব্দটোৰ অসমীয়া প্ৰতিশব্দ হ'ল দীৰ্ঘম্যাদী। শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ বয়সলৈকে সকলোৱেই এই ৰোগত আক্ৰান্ত হোৱা দেখা যায়। সচৰাচৰ চিকিৎসকৰ ওচৰলৈ অহা পেটৰ ৰোগত আক্ৰান্ত ৰোগীৰ ভিতৰত ৩% ই পেংক্ৰিয়েটাইটিছত আক্ৰান্ত হয়। সঠিক সময়ত চিকিৎসা নকৰালে ই ৰোগীক মৃত্যুৰ মুখলৈও ঠেলি দিব পাৰে।

এই ৰোগ হ'লে কি হয় ঃ একিউট পেংক্ৰিয়েটাইটিছ ৰোগ হ'লে আক্ৰান্ত ব্যক্তিৰ পেটৰ বিষ হয়। এই পেটৰ বিষ ক্ৰমাৎ অসহ্য হ'বলৈ ধৰে। ৰোগীয়ে বমি কৰে। যদিহে এই দুয়োটা লক্ষণ ফুটি উঠে তেন্তে পেংক্ৰিয়েটাইটিছ হোৱাৰ কথা চিকিৎসকে অনুমান কৰিব লাগে আৰু পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব লাগে। এই ৰোগত আক্ৰান্ত ৰোগীৰ হৃদস্পন্দন বৃদ্ধি পায়। দৰাচলতে এই ৰোগত আক্ৰান্ত হ'লে পৰোক্ষ ভাৱে হৃদযন্ত্ৰৰ ওপৰতো প্ৰভাৱ পৰে। হৃদযন্ত্ৰলৈ যি পৰিমাণৰ অক্সিজেন সৰবৰাহ হ'ব লাগে সিমান পৰিমাণৰ নহয় বাবে ৰোগীয়ে শ্বাস- প্ৰশ্বাসত কষ্ট পায়। ৰোগীৰ প্ৰস্ৰাৱৰ পৰিমাণো স্বাভাৱিক পৰিমাণতকৈ হ্ৰাস পাব পাৰে। এই ৰোগত আক্ৰান্ত হ'লে বৃক্ক বিকলো হ'ব পাৰে। ডায়েবেটিছ ৰোগীক এই ৰোগে সহজে আক্ৰমণ কৰিব পাৰে।

এই ৰোগে যেতিয়া ক্ৰ'নিক ৰূপ লয় তেতিয়া আন বহুতো লক্ষণে দেখা দিয়ে। যদিহে অগ্ন্যাশয়ৰ কেন্সাৰত আক্ৰান্ত হয় তেতিয়া ৰোগীৰ শৰীৰৰ ওজনো হ্ৰাস পায়। ৰোগীৰ খোৱাৰ ইচ্ছা কমি আহে। পেটত পানী জমা হোৱাটো এই ৰোগৰ অন্যতম লক্ষণ। তদুপৰি ৰোগীৰ জণ্ডিচো হ'ব পাৰে। ৰক্তচাপ হ্ৰাস পায়। কেতিয়াবা পেট ফুলি উঠে আৰু পেটত হাত দিলে টান টান যেন অনুভৱ হয়।

এনেবোৰ লক্ষণ ফুটি উঠিলে চিকিৎসকে ৰোগ বিধ সম্পৰ্কে সম্পূৰ্ণৰূপে ধাৰণা কৰিব পাৰে আৰু তেতিয়াহে চিকিৎসা কৰাটো সম্ভৱ।

২। মুখ গহ্বৰৰ কেন্সাৰ ঃ

এই ৰোগক তলত দিয়া ভাগসমূহত ভাগ কৰিব পাৰি ঃ-

ক) অ'ৰেল ছাবমিউকাছ ফাইব্ৰোছিছ ঃ এইবিধ ৰোগ কেৱল ভাৰতবৰ্ষতে হোৱা দেখা যায়। যিসকল লোকে চুপাৰি আৰু গুটখা বেছিকৈ খায় তেওঁলোকে এই ৰোগত আক্ৰান্ত হয়। এই ৰোগত আক্ৰান্ত হ'লে সচৰাচৰ যিবোৰ লক্ষণে দেখা দিয়ে সেইবোৰৰ ভিতৰত অন্যতম হ'ল - আক্ৰান্ত ব্যক্তিয়ে ভালদৰে মুখ মেলিব নোৱাৰা হয়। গৰম বস্তু খালে অথবা মছলা আদি খালে মুখত জ্বলা জ্বলা অনুভূত হ'বলৈ ধৰে। যদিহে ৰোগৰ প্ৰকোপ বেছি হয় তেতিয়া আনৰ কথা-বতৰা ভালদৰে শুনাতো সমস্যা হ'বলৈ ধৰে, তালুত খুন্দা মাৰিলে টান অনুভৱ হোৱা দেখা যায়। মুখ গহ্বৰত ঠায়ে ঠায়ে ৰঙা দাগ পৰে। জিভাখনত বগা-বগা দেখা যায়। মুখৰ ভিতৰত যদি আঙুলি সুমুৱাই চোৱা হয় তেতিয়া খহটা অনুভৱ হয়। তেতিয়া তৎক্ষণাৎ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি চিকিৎসা আৰম্ভ কৰা উচিত। অন্যথা এই ৰোগে পাছলৈ ভয়াবহ ৰূপ ধাৰণ কৰিব পাৰে। এনে কাৰণত মুখগহ্বৰৰ কেন্সাৰৰ উপৰিও কণ্ঠনলীৰো কেন্সাৰ হোৱাৰ আশংকা থাকে। উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলেহে এই ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। এইবোৰৰ উপৰিও আন কাৰণতো এইৰোগ হ'ব পাৰে। এনে ৰোগৰ পৰা হাত সাৰি থাকিবলৈ হ'লে চুপাৰি আৰু গুটখা আদি খোৱাৰ পৰা বিৰত থাকিব লাগে।

খ) লেংকোপ্লেকিয়া ঃ মুখ গহ্বৰৰ আন এক সমস্যা হ'ল 'লেংকোপ্লেকিয়া'। এই ৰোগত আক্ৰান্ত হ'লে কিছুমান বিশেষ লক্ষণ ফুটি উঠে। যি সকলে বেছি পৰিমাণে চুপাৰি খায় তেওঁলোকৰহে এনে ৰোগ হোৱাৰ প্ৰৱণতা বেছি। এই ৰোগত আক্ৰান্ত হ'লে প্ৰাথমিক পৰ্যায়ত মুখখন চুই চালে টান হোৱা যেন অনুভৱ হয়। পৰৱৰ্তী সময়ত মুখখন ডাঠ হোৱাৰ উপৰিও বগা পাৰে। যদিও এই ৰোগবিধ কমবয়সীয়া লোকৰ মাজত বৃদ্ধি পাইছে, তথাপি ৰোগবিধৰ বিষয়ে প্ৰায়ভাগ লোকেই অজ্ঞ। এনে ৰোগৰ উপযুক্ত চিকিৎসা নকৰালে ই কেন্সাৰ পৰ্যায়লৈ উপনীত হোৱাটো নিশ্চিত। অৱশ্যে কেন্সাৰ পৰ্যায়ত উপনীত হ'লে চিকিৎসা কৰাটো অসম্ভৱ বুলি ক'ব নোৱাৰি। আজিকালি বহুতো উন্নত ধৰণৰ চিকিৎসা পদ্ধতি ওলাইছে। প্ৰাথমিক পৰ্যায়ত ধৰা পৰিলে এই ৰোগৰ পৰা সম্পূৰ্ণৰূপে মুক্তি লাভ কৰিব পাৰি।

গ) স্কোৱামাছ চেল কাৰ্ছিনোমা ঃ মুখ গহ্বৰত হোৱা কেন্সাৰৰ ৯৬% ৰ ক্ষেত্ৰত এই ৰোগ বিধ হয়। মুখৰ যি কোনো ঠাইতে এই ৰোগ হ'ব পাৰে। আন কেন্সাৰৰ দৰে ইও দ্ৰুতগতিত বিয়পিবলৈ আৰম্ভ কৰে। কেতিয়াবা মুখৰ ছাল উখহি উঠে, কেতিয়াবা আকৌ গভীৰ গাঁতৰ সৃষ্টি হয়।

ঘ) ভেৰুকাছ কাৰ্ছিনোমা ঃ মুখৰ ছালৰ পৰা হোৱা আন এবিধ কেন্সাৰ হ'ল - 'ভেৰুকাছ কাৰ্ছিনোমা'। উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলে এনেধৰণৰ ৰোগৰ পৰা সহজতে মুক্তি লাভ কৰিব পাৰি।

ঙ) মেলিগনেন্ট মেলানোমা ঃ মুখগহ্বৰত হোৱা ইও এবিধ ভয়ংকৰ কেন্সাৰ।

চ) ফাইব্ৰোছাৰকোমা ঃ এই ৰোগবিধ মুখৰ ছালৰ তলত থকা সংযোগী কলাৰ পৰা হয়। এনেধৰণৰ ৰোগ প্ৰাথমিক পৰ্যায়ত ধৰা পৰিলে আৰু উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলে সহজে মুক্তি লাভ কৰিব পাৰি।

চিকিৎসা ঃ প্ৰাথমিক পৰ্যায়ত অস্ত্ৰোপ্ৰচাৰ কৰিলে মুখগহ্বৰৰ কেন্সাৰ প্ৰতিৰোধ কৰাটো সম্ভৱ হয়। সেয়ে ৰোগীয়ে ততালিকে চিকিৎসকৰ ওচৰ চাপিব লাগে। কিয়নো প্ৰাথমিক পৰ্যায়ত যি স্থানত কেন্সাৰ হয় সেই ঠাইতে সি সীমাবদ্ধ থাকে। দ্বিতীয় পৰ্যায়ত ই আন অংশলৈ বিয়পে। দ্বিতীয় পৰ্যায়ৰপৰাই জটিলতা বৃদ্ধি পাবলৈ আৰম্ভ কৰে। তৃতীয় পৰ্যায়ত ডিঙিত একেফালে থকা গ্ৰন্থিত আক্ৰমণ আৰম্ভ হয়। চতুৰ্থ পৰ্যায়ত আক্ৰান্ত স্থানৰ বিপৰীত দিশত থকা গ্ৰন্থিত সম্প্ৰসাৰিত হ'বলৈ আৰম্ভ কৰে। পাছত লাহে লাহে মগজু তথা হাওঁফাওঁলৈ ইয়াৰ প্ৰভাৱ বিস্তাৰ হ'ব পাৰে। এনে ৰোগৰ বিষয়ে নিশ্চিত হ'বলৈ চকু, নাক আৰু ডিঙিৰোগ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰাটোৱেই শ্ৰেয়। +++

* স্নাতক প্ৰথম বৰ্ষ, সোণাৰি মহাবিদ্যালয়।

# কীটনাশকৰ ব্যৱহাৰ আৰু আমি

দীপু দাস*

পেষ্ট-জীৱ বিজ্ঞানৰ ভাষাত ক্ষতিকাৰক কীট-পতংগ। মহ মাখি আদি পেষ্টৰ পৰা ৰেহাই পাবৰ বাবে বজাৰত বিভিন্ন নামী-দামী কোম্পানীৰ কীটনাশক পোৱা যায়। অৰ্থাৎ কিনা পেষ্টিসাইড। প্ৰস্তুতকৰ্তা সকলে দিয়া বিজ্ঞাপনৰ ভিত্তিতে আমি এইবোৰৰ প্ৰতি আকৰ্ষিত হওঁ আৰু তাৰেই ফলস্বৰূপে এইবোৰৰ ব্যৱহাৰ ঘৰে ঘৰে। আজিকালি পেষ্টিসাইড বহুল পৰিমাণে ব্যৱহৃত হৈছে। কিন্তু বহুতেই এই কথা নাজানে যে প্ৰতিটো পেষ্টিসাইডৰেই পাৰ্শ্ব-প্ৰতিক্ৰিয়া আছে। সেইকাৰণে এইবোৰৰ বহুল ব্যৱহাৰৰ ফলত দেখা দিছে হাঁপানি মূৰবিষ, চকুৰ বিভিন্ন ধৰণৰ ৰোগ ইত্যাদি মাৰাত্মক বেমাৰ।

**ব্যৱহাৰৰ বিধি ঃ** প্ৰতিটো পেষ্টিসাইডৰে ব্যৱহাৰৰ কিছু বিধি আছে, যিবোৰ আমি বেছিভাগেই পালন নকৰো। অনেকেই এই কথা নাজানে যে কি পেষ্টৰ কাৰণে কি পেষ্টিসাইড ব্যৱহাৰ কৰিব লাগে। পেষ্টিসাইডৰ ব্যৱহাৰৰ সময়ত আমি মন কৰিব লগা কেইটামান গুৰুত্বপূৰ্ণ কথা হ'ল–

১। প্ৰথমেই চাব লাগে লাইসেন্স নম্বৰটি।

২। দি সেণ্টেল ইনসেক্টিসাইড ৰেজিস্ট্ৰেশন নম্বৰ বা সি. আই. আৰ নম্বৰ।

৩। পেষ্টিসাইড কিনাৰ সময়ত এই কথা লক্ষ্য কৰিব লাগে যে পেষ্টিসাইডৰ বটলটোৰ ঘাত দিয়া চিহ্নটো কি ? যেনে- ৰঙা, নীলা, সেউজীয়া, হালধীয়া ইত্যাদি। প্ৰতিটো ৰঙেই বেলেগ বেলেগ ভাৱে সতৰ্কতা নিৰ্দ্দেশ কৰে। ৰঙা আৰু হালধীয়া ৰঙে অতি বিষাক্ত পেষ্টিসাইডক নিৰ্দ্দেশ কৰে। নীলা ৰং মানে হ'ল মাৰাত্মক আৰু সেউজীয়া ৰঙৰ অৰ্থ হ'ল সতৰ্কতাৰ প্ৰয়োজন।

৪। ফুটপাথৰ বিক্ৰেতাৰ ওচৰৰ পৰা কেতিয়াও কোনো ধৰণৰ পেষ্টিসাইড কিনিব নালাগে।

৫। পৰুৱা, চাহি আদিৰ উপদ্ৰৱৰ পৰা ৰেহাই পাবলৈ স্পট অ্যাপ্লিকেটৰ আৰু মাখিৰ বাবে স্পেস অ্যাপ্লিকেটৰ ব্যৱহাৰ কৰিব লাগে।

৬। বজাৰত পাম্প স্প্ৰে পেষ্টিসাইড আৰু এৰাসোল পেষ্টিসাইড দুয়োটাই পোৱা যায়। কিন্তু পাম্প স্প্ৰে পেষ্টিসাইডবোৰ অপেক্ষাকৃতভাৱে বেছি নিৰাপদ। কাৰণ এইবোৰ এৰসোল পেষ্টিসাইডৰ তুলনাত কম বিষাক্ত।

৭। এৰাসোল পেষ্টিসাইডবোৰ খুবেই শক্তিশালী আৰু দাহ্য। সেইবোৰ বেছি ব্যৱহাৰ কৰা উচিত নহয়। এই বোৰ ব্যৱহাৰ কৰিব খুজিলে ১০-১৫ মিঃ গ্ৰাম স্প্ৰে কৰিব লাগে। তাৰ পাছত দৰ্জা- খিৰিকী বোৰ খুলি দিব লাগে।

৮। ব্যৱহাৰৰ আগেয়ে নিয়মাৱলী, বিষক্ৰিয়া ইত্যাদি সৰ্ম্পকে ভালকৈ জানি ল'ব লাগে।

৯। শিশু আৰু পোহনীয়া জন্তুৰ উপস্থিতিত ইয়াৰ ব্যৱহাৰ নকৰাটোৱেই শ্ৰেয়। পেষ্টিসাইড আৰু ইয়াৰ ব্যৱহাৰ্য্য উপকৰণবোৰ শিশুৰ পৰা সদায় আঁতৰত ৰাখিব লাগে। খোৱা বস্তু থোৱা ঠাইবোৰ যেনে - মিটকেস্, ক্যবিনেট ইত্যাদিত এইবোৰ থব নালাগে।

* স্নাতক প্ৰথম বৰ্ষ, সোণাৰি মহাবিদ্যালয়।





# বন্যভূমি আৰু বন্যপ্ৰাণী সংৰক্ষণ

মুন ফুকন *

বৰ্তমান বন্যভূমি আৰু বন্যভূমি প্ৰাণী সংৰক্ষণ এটা জটিল সমস্যা হৈ পৰিছে। পদ্ধতিগত ভাৱে আৰু গম্ভীৰভাৱে বন্যপ্ৰাণী সংৰক্ষণৰ বিষয়টো আলোচনা কৰাৰ প্ৰয়োজন আছে। বিভিন্ন বিভাগে সংৰক্ষণৰ প্ৰচেষ্টা চলাইছে যদিও তেওঁলোকৰ সপোন কেতিয়া দিঠকত পৰিণত হয় পৰিস্থিতিয়ে ক'ব। অৱশ্যে এই ক্ষেত্ৰত সকলো নাগৰিক সচেতন হ'ব লাগিব। পৰিৱেশবিদ সকলে বছৰ বছৰ জুৰি চেষ্টা কৰি আহিছে যদিও, সংৰক্ষণৰ ক্ষেত্ৰত আশানুৰূপ সফল হ'ব পৰা নাই। পৰিৱেশবিদ আৰু সংৰক্ষণবিদ সকলে জনাইছে যে জনসাধাৰণৰ সহযোগিতা নহ'লে এই ক্ষেত্ৰত সফল হ'ব পৰা নাযাব।

হাবি জংঘল ধ্বংস কৰাৰ ফলত লুপ্তপ্ৰায় বন্যপ্ৰাণীবোৰৰ বাবে ডাঙৰ ভাবুকিৰ সৃষ্টি হৈছে। এই হাবি জংঘলবোৰেই বন্যপ্ৰাণীবোৰৰ বাবে বাসস্থান স্বৰূপ। এই হাবি-জংঘলবোৰৰ কাষে-কাষে জনবসতি আছে আৰু বন্যপ্ৰাণীবোৰ মানুহৰ কাষে-কাষে থাকে। জন সংখ্যা বৃদ্ধিৰ ফলত বাসস্থানৰ বাবে মানুহে হাবিবোৰৰ অধিক সংখ্যক ঠাই দখল কৰি ঘৰ-বাৰী সাজিছে আৰু এইটোৱেই এটা জটিল সমস্যাৰ সংকেত দিয়ে।

'কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান' এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত। ইয়াৰ উপৰিও ইয়াৰ বনৰীয়া ম'হ, বাঘ, হৰিণ ইত্যাদি আপুৰুগীয়া সম্পদ। প্ৰাপ্ত সমীক্ষামতে ২০০০ চনৰ সমীক্ষা মতে ৰাষ্ট্ৰীয় উদ্যানত পোৱা বন্যপ্ৰাণীৰ সংখ্যা এনেধৰণৰ - দল হৰিণ (Swamp Deer) ৬৮১টা, হাতী (Elephant) ১২৯৩টা, ম'হ (Asiatic wild water buffalo) ১০৪৮ টা, গঁড় (Rhino) ১৮৫৮ টা আৰু বাঘ (Tiger) ৮৬ টা।

চিকাৰীৰ কাৰণেও গঁড়ৰ প্ৰজাতিটোৰ ওপৰত সংকট আহি পৰিছে। ১৯৬৫ চনৰ পৰা ২০০৮ চনৰ ভিতৰত চোৰাং চিকাৰীয়ে ৭১০ টা গঁড় হত্যা কৰিছে। কাৰণ গঁড়ৰ খড়গটোক অতি মূল্যবান সম্পদ বুলি জ্ঞান কৰা প্ৰচলিত অন্ধবিশ্বাস আছে। খড়গটোৰ বহুত ঔষধি গুণ আছে বুলিও জনবিশ্বাস। যিটোত একো গুৰুত্বই নাই। নামেৰী ৰাষ্ট্ৰীয় উদ্যান দেওহাঁহৰ বাবে (Wood duck) বিখ্যাত আৰু ১৯৯৭ চনৰ পৰা ২০০০ চনলৈ ইয়াত ৩০০ টা চৰাইৰ প্ৰজাতি, ৯২ টা বাঘ আছে। ঠিক তেনেদৰে মানাস অভয়াৰণ্যত বৃহৎ সংখ্যক ভাৰতৰ লুপ্ত প্ৰায় পশু-পক্ষী পোৱা যায়। পবিতৰা এখন পক্ষী অভয়াৰণ্য ইয়াত ২১৬ টা চৰাইৰ

প্ৰজাতি পোৱা যায় আৰু বহুতো চৰাই প্ৰব্ৰজন কৰি আছে।

হাতী সাধাৰণতে হাবি আৰু পাহাৰীয়া ঠাইত বাস কৰে, য'ত ঘাঁহ, ডাল-পাত ইত্যাদি পোৱা যায়। এইবিলাক হাতীৰ প্ৰধান খাদ্য। মানুহে সৰহ সংখ্যক হাবি কাটি তহিলং কৰাৰ ফলত হাতীৰ খাদ্য সংকটে দেখা দিছে। যাৰ ফলত খাদ্য বিচাৰি সিহঁতে মানুহৰ খেতি-পথাৰ, ঘৰ-দুৱাৰ আদি নষ্ট কৰেহি। প্ৰাপ্ত তথ্য মতে, যোৱা ২০০০ চনৰ পৰা ২০০৬ (আগষ্ট) চনলৈ ৩৬৫ টা হাতীৰ পৰা ২৩৯ টালৈ হ্ৰাস হৈ আহিল। ইয়াৰে ৬০ টাৰ প্ৰাকৃতিক ভাৱে আৰু আনবিলাক বাঘৰ আক্ৰমণ, ৰোগ, বিষক্ৰিয়া হৈ, বিদ্যুৎ সংযোগ হৈ, দুৰ্ঘটনাজনিত কাৰণত আৰু চিকাৰত মৃত্যু ঘটিছে। চিকাৰীয়ে দাঁতৰ বাবেই প্ৰধানকৈ হাতী হত্যা কৰে। অধিক পৰিমাণে গছ-গছনি কটাৰ ফলত বহু বন্য প্ৰাণীৰ প্ৰিয় খাদ্য সম্ভাৰৰ অভাৱ হৈছে আৰু সিহঁতৰ অস্তিত্ব বিপন্ন হৈ পৰিছে।

প্ৰাকৃতিক সম্পদৰ ধ্বংসইও বন্যপ্ৰাণী সমূহৰ বিলুপ্তিৰ পথত অগ্ৰসৰ হ'বলৈ অৰিহণা যোগাইছে। বাসস্থানৰ ধ্বংসই বন্য প্ৰাণীবোৰৰ পক্ষে বিপদ মাতি আনিছে।

বানপানীৰ সমস্যাৰ ফলতো বহুতো বন্যপ্ৰাণী মৃত্যু মুখত পৰিছে। বানপানী সমস্যাটোৱে অসমত ইমান জটিল ৰূপ ধাৰণ কৰিছে যে প্ৰত্যেক বছৰে বন্যপ্ৰাণীবোৰ বানপানীৰ কবলত বাৰুকৈ হাবু-ডুবু খায়। চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে লোৱা উচিত। বনৰক্ষী তথা বনকৰ্মী বিলাকক সক্ষম কৰি তুলি লগতে আধুনিক সা-সৰঞ্জাম যোগান ধৰা উচিত।

উপৰিউক্ত তথ্যবোৰৰ পৰা দেখা যায় যে, যিটো হাৰত বন্যপ্ৰাণীবোৰৰ সংখ্যা ক্ৰমাৎ কমি গৈছে এটা সময়ত বন্য প্ৰাণীৰ কোনো অস্তিত্বই নাথাকিব। প্ৰকৃতিয়ে নিজৰ ভাৰসাম্য হেৰুৱাই এটা গভীৰ সংকটাৱস্থালৈ গতি কৰিব। আৰু পৃথিৱীৰ পৰা বংশগতীয় কিছুমান সংকেত নাইকিয়া হৈ যাব। মুঠতে আন্তৰ্জাতিক স্তৰতে হওঁক বা জাতীয় স্তৰতে হওঁক চৰকাৰে কঠোৰভাৱে আইন বলবৎ কৰি তথা জনসাধাৰণক সজাগ কৰি তুলিবলৈ সজাগতা সভা তথা প্ৰচাৰ মাধ্যমৰ যোগে প্ৰচাৰ চলাবলৈ প্ৰচেষ্টা হাতত ল'ব লাগে। অন্যথা বন্যপ্ৰাণী বিলাক আমাৰ পৃথিৱীৰ পৰা একেবাৰেই নিঃশেষ হৈ যাব। পৃথিৱী ৰক্ষাৰ ভাৰ জীৱশ্ৰেষ্ঠ মানুহৰ ওপৰতে।



* প্ৰথম বৰ্ষ, প্ৰাণী বিদ্যা বিভাগ, সোণাৰি মহাবিদ্যালয়।





# জিন থেৰাপি বিপ্লৱ ঃ আশীৰ্বাদ নে অভিশাপ

প্ৰতিম পাতনী দে *

Genes are at the heart of the complex machinery that keeps our bodies working.

জিন থেৰাপি হৈছে জিনীয় অভিযন্ত্ৰণৰ এটা সূক্ষ্ম ভাগ। ইয়াৰ বাবে অনুজীৱ বিজ্ঞানৰ গভীৰ জ্ঞান আৰু সূক্ষ্ম কলা কৌশল জনাৰ নিতান্তই প্ৰয়োজন। বৰ্ত্তমানে চিকিৎসা বিজ্ঞানত জিনীয় অভিযন্ত্ৰণৰ এই শাখাই এক বিপ্লৱৰ সূচনা কৰিছে। মানুহৰ দেহৰ কাৰ্যাৱলী অতি প্ৰাকৃতিক শক্তিৰ দ্বাৰা নহয় ; প্ৰকৃতিৰ নিয়মৰ দ্বাৰাহে চালিত হয়। প্ৰায় ২৪০০ বছৰ আগতে হিপ'ক্ৰেটিছে কৰা এই সিদ্ধান্তৰ পাছত এতিয়ালৈ এইটো চতুৰ্থ বিপ্লৱ।

১। প্ৰথমটো বিপ্লৱ আছিল ১৮৫৪ চনত ব্ৰিটিছ শল্য চিকিৎসক জন স্নোৱে দূষিত পানীৰ দ্বাৰা কলেৰা বিয়পে বুলি আৱিষ্কাৰ কৰাৰ পাছত। মানৱ জাতিক কোঙা কৰি পেলোৱা কলেৰা মহামাৰীৰ বিৰুদ্ধে থিয় দিবলৈ এই আৱিষ্কাৰেই সহায় কৰিলে।

২। দ্বিতীয়টো বিপ্লৱ প্ৰায় একে সময়তেই আহিছিল। সেয়া হ'ল সংজ্ঞানাশক ব্যৱহাৰ কৰি অস্ত্ৰোপচাৰ কৰিব পৰা ব্যৱস্থাৰ প্ৰৱৰ্ত্তন।

৩। তৃতীয় বিপ্লৱটো আহিছিল ছিটা আৰু এন্টিবায়'টিক দৰবৰ প্ৰচলনৰ দ্বাৰা। ইয়াৰ ফলত সংক্ৰামক ৰোগ প্ৰতিৰোধিত হ'ল আৰু শল্যচিকিৎসাত সহায় হ'ল।

কিন্তু এটা কথা, কিছুমান সংক্ৰামক ৰোগ আৰু অস্ত্ৰোপচাৰ কৰা ৰোগৰ বাহিৰে আন কোনো ৰোগকে কিছুসংখ্যক চিকিৎসকে আৰোগ্য কৰিব নোৱাৰে। সেই চিকিৎসক সকলে ঔষধেৰে দেহটোৱে নিজে আৰোগ্য লভাত সহায় কৰায়। তেওঁলোকৰ চিকিৎসাই ৰোগৰ উপসৰ্গবোৰ প্ৰশমিত কৰে কিন্তু অন্তৰ্নিহিত সমস্যা সমাধান নকৰে।

৪। এতিয়া চিকিৎসা বিজ্ঞানলৈ নামি অহা চতুৰ্থটো বিপ্লৱ মানবীয় জেনেটিক প্ৰযুক্তিয়ে অহা ৩০-৪০ বছৰত চিকিৎসাৰ আমূল পৰিৱৰ্ত্তন সাধন কৰিব। কিন্তু ইয়াতকৈ ডাঙৰ কথা হ'ল ইয়াৰ প্ৰভাৱ চিকিৎসা বিজ্ঞানৰ পৰা বহু আঁতৰত অনুভূত হ'ব। আমাৰ সংস্কৃতিৰ প্ৰতিটো বিভাগকে ই প্ৰভাৱিত কৰিব। সযতনে ব্যৱহাৰ কৰিলে ই মানুহৰ স্বাস্থ্য আৰু সুখ সমৃদ্ধি বঢ়াব। কিন্তু অজ্ঞানতাৰে ব্যৱহাৰ কৰিলে ই মানুহৰ এতিয়ালৈ মূল্য আৰোপ কৰা সকলো বস্তুকে বিপৰ্যস্ত কৰি পেলাব পাৰে- আনকি আমি কোন, আমি কি জাতীয় প্ৰমূল্যবোৰো।

হিউমেন জেনেটিক প্ৰযুক্তি বা জিন থেৰাপিৰ মূল ধাৰণা হ'ল আমাৰ জিনবিলাকেই দেহৰ প্ৰতিৰোধ আৰু নিৰাময়ৰ ব্যৱস্থা। আমাৰ জিনবোৰেই দেহটোক প্ৰকৃতিৰ আঁচোৰৰ পৰা প্ৰতিৰক্ষা দিয়ে। আমাৰ জিনবোৰেই ৰোগৰ পৰা হোৱা ক্ষতি দূৰ কৰি সুস্বাস্থ্য অটুট ৰখায় ; আৰু অস্বাভাৱিকভাৱে কাম কৰা জিনেই ছিকল্ ছেল এনিমিয়া আদি জেনেটিক ৰোগ সৃষ্টি কৰাৰ উপৰিও কৰ্কটৰোগ, হৃদৰোগ, আলঝেইমাৰ আৰু মানসিক ৰোগ সৃষ্টি কৰে। সেয়ে আমি যদি ৰোগ আৰোগ্য কৰিব খোঁজো তেন্তে আমি কামটো জিনৰ পৰ্যায়তহে কৰিব লাগিব।

বেমাৰৰ চিকিৎসাৰ বাবে জিন ব্যৱহাৰ কৰা বুনিয়াদী উপায় দুটা আছে। ইয়াৰে প্ৰথমটো হ'ল "জিন থেৰাপি" য'ত ৰোগীৰ দেহত এটা দুটা জিন বেজিৰে সুমুৱাই দিয়া হয়। দেহৰ এনজাইম সংক্ৰান্তীয় বিসংগতি এইড্‌ছ, হিমফিলিয়া এইদৰে আঁতৰ কৰা হয়। দ্বিতীয়টো উপায় হ'ল- "স্মল মলিকুল থেৰাপি বা ক্ষুদ্ৰ অনু পদ্ধতি। এই পদ্ধতিত ৰোগীক এটা দৰৱ দি দৰৱ বিধেৰে দেহৰ এটা বা বেছি জিনৰ কাৰ্য্যৰ সংশোধন কৰা হয়। দৰৱ আৰু জৈৱ প্ৰযুক্তিবিদ্যা (Bio-technology) কোম্পানীবোৰে দুয়োটা পদ্ধতিতে যথেষ্ট ধন বিনিয়োগ কৰি চেষ্টা চলাইছে।

হিউমেন জিন'ম আচনিয়ে মানৱদেহত থকা ৭০,০০০ৰ পৰা ১,৩০,০০০ জিন চিনাক্ত কৰি সিহঁতৰ কাম কাজ নিৰ্ধাৰণ কৰিলে আমি দেহৰ সকলো জিনৰ 'আসোঁৱাহ' বা দুৰ্বলতা দ্ৰুতভাৱে গম পাম। আসোঁৱাহযুক্ত জিন বুলি ইয়াকে বুজাব বিচাৰিছোঁ যিবোৰ জিনে ব্যক্তি বিশেষৰ দৈহিক পৰিস্থিতি অনুযায়ী দক্ষতাৰে কাম কৰিব নোৱাৰে, যিবোৰ খাদ্য, বিহক্ৰিয়া, বিকিৰণ অথবা অন্য কাৰকৰ বাবে অস্বাভাৱিকভাৱে চাপযুক্ত হৈ বেমাৰ সৃষ্টিকাৰী হয়। এনে আসোঁৱাযুক্ত জিন এটা চিনাক্ত কৰি ৰোগীৰ দেহত তাৰ সলনি নতুন জিন এটা স্থাপন কৰিব পৰা যাব। অথবা যদি জিনটোৱে সঠিকভাৱে কাৰ্য কৰিছে কিন্তু কাৰ্যকাৰিতাৰ পৰিমান বেছি বা কম হৈ আছে তেন্তে এটা দৰৱেৰে জিনটোৰ ক্ৰিয়া উপযুক্ত কৰিব পৰা যাব। এতিয়াৰ পৰা বিশ বছৰৰ ভিতৰত প্ৰত্যেক অসুখৰে এনেধৰণৰ জিন ভিত্তিক চিকিৎসা থাকিব।

বৰ্তমান জিনথেৰাপি বেছিভাগ ক্ষেত্ৰতে খুব অনুপযুক্ত হৈ আছে। কিন্তু অগ্ৰগতি বৰ দ্ৰুত আৰু অহা কেই বছৰৰ ভিতৰতে প্ৰথম জিনভিত্তিক চিকিৎসা জনসাধাৰণৰ উপলব্ধ হ'ব। এই ক্ষেত্ৰত এতিয়ালৈ অৰ্জন কৰা এক ডাঙৰ সফলতা হ'ল হৃদযন্ত্ৰত দোষযুক্ত ৰক্তবাহী নলিকাৰ ঠাইত নতুন নলিকা জন্মাবৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি। হিমফিলিয়া ৰোগৰ দৰে জেনেটিক ৰোগৰ ক্ষেত্ৰত ল'ব পৰা ব্যৱস্থাইও চমক প্ৰদ ফল দিছে। এইড্‌ছ আৰু কিছুমান কৰ্কট ৰোগৰ প্ৰতিযেধক ছিটা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো জিনথেৰাপিয়ে তাৎপৰ্য্যপূৰ্ণ অগ্ৰগতি লভিছে। চিকিৎসকসকলে আশা কৰিছে যে নতুন সহস্ৰাব্দৰ প্ৰথম দহটা বছৰতে মানৱ জাতিক ধোঁৱাকোৱা দেখুওৱা ভালেমান ৰোগৰ জেনেটিক চিকিৎসা সংক্ৰান্তত বিস্ফোৰক সাফল্য দেখা যাব। জেনেটিক প্ৰযুক্তিয়ে মানৱৰ জীৱনকালত সুস্বাস্থ্য আৰু সুখেৰে ভৰা দশক সংযোগ কৰিব।

কিন্তু জিন থেৰাপিৰ অন্ধকাৰ এটি দিশ আছে। এই দিশটো এয়ে যে জেনেটিক প্ৰযুক্তি বৰ্তমানেও আপদমুক্ত নহয়। যোৱা কেই বছৰ ধৰি হোৱা প্ৰায় ৪০০ মান পৰীক্ষাত দেখা বিহক্ৰিয়া বা আসোঁৱাহৰ পৰিমান খুবেই কম যদিও কিছুমান ৰোগীৰ অবাঞ্ছিত আৰু ব্যাখ্যাহীন মৃত্যুৱে প্ৰকৃততে মানৱদেহ আৰু মানৱদেহৰ দৰৱ সংবেদনশীলতাৰ বিষয়ে আমিনো কিমান জানো তাৰ বিষয়ে সন্দেহৰ সৃষ্টি কৰে।

ইয়াৰ উপৰিও এটা বৃহত্তৰ বিপদ আছে। সেয়া হ'ল জিন থেৰাপিয়ে এজন ব্যক্তিৰ দেহৰ জিনেটিক 'ব্লু-প্ৰিন্ট' বা আৰ্হিটোকেই সলাই পেলাব পাৰে। এই বিপদ ক্ষুদ্ৰ অণু চিকিৎসাৰ ক্ষেত্ৰত নাথাকে। এবিধ ৰোগৰ চিকিৎসাৰ বাবে ৰোগী এজনৰ দেহত যদি আমি যিকোনো জিন দিব পাৰোঁ তেন্তে এনেধৰনে জিন সংস্থাপন, ৰোগ নিৰাময়ৰ বাবেই কেৱল নহয় আন উদ্দেশ্য সাধনৰ বাবেও কৰিব পৰা যাব নিশ্চয়। এইখিনিতেই আহি পৰে এই শক্তিশালী প্ৰযুক্তিৰ আনটো ফাল। নিৰ্বাচিত বংশ বৃদ্ধিৰ আঁচনিতকৈ উন্নত মানৱ জন্ম দিয়াৰ আঁচনি বৃহৎ পৰিসৰত কৰিব পাৰি। উন্নত মানৱ সৃষ্টি কৰাৰ প্ৰচেষ্টাক সদায়েই উন্নততৰ কৰিব পৰাৰ বাট থাকি যা'ব, এয়া সীমাহীন, অন্তহীন লক্ষ্য। এই প্ৰযুক্তিৰে আগতে নিগনি এটাক বেছি বুদ্ধিমান কৰি পেলাব পৰা জিন আৱিষ্কৃত হৈছে আৰু আচাৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা মানৱ জিন চিনাক্ত কৰা হৈছে বিপদসংকুলতাক সহজে ল'ব পৰা বুদ্ধিসম্পন্ন কৰি তোলাৰ বাবে ব্যৱহাৰ কৰিব পৰাকৈ। আজি কেইবা বছৰৰ পৰাই আমি জানো কোনবিধ জিনে দেহৰ আকাৰ আৰু





এই ধৰণৰ জিন সংস্থাপন কৰাৰ আকাংক্ষা বৰ শক্তিশালী আনকি কেতিয়াবা এয়া দুনিৰ্বাৰ হৈও পৰিব।

এই শক্তিমান অপব্যৱহাৰৰ প্ৰথম সংকেত পোৱা গৈছেই।

উদাহৰণস্বৰূপে, এটা কোম্পীনীয়ে কৰ্কট ৰোগৰ কেমোথেৰাপি (ৰাসায়নিক পদ্ধতিৰে কৰা কৰ্কট ৰোগৰ চিকিৎসা) ফলত হোৱা চুলি সৰা বন্ধ কৰিবলৈ এটা চিকিৎসা প্ৰস্তুত কৰিছে। মানুহৰ ছালৰ হেয়াৰ ফলিকললৈ (চুলিৰ গুৰিৰ কন্দ আকৃতিৰ অংশ) এবিধ জিন সংস্থাপন কৰা হৈছেই। এতিয়া কোম্পেনিটোৱে সন্ধান কৰিছে চুলিৰ বৃদ্ধি ঘটাবলৈ সংবেদন জগাব পৰা এটা বৃদ্ধিকাৰক জিনৰ। কৰ্কট ৰোগৰ চিকিৎসাত চুলি হেৰুৱাব লগা হোৱাৰ মানসিক অশান্তি আঁতৰোৱাৰ ক্ষেত্ৰত কিবা এটা হ'লে কোনেও আপত্তি নকৰে। কিন্তু এই ক্ষেত্ৰত প্ৰকৃততে ইচ্ছা হ'ব স্বাভাৱিকভাৱে তপা হোৱা নিযুত নিযুত স্বাস্থ্যবান লোকৰ ওচৰত দৰৱটো বিক্ৰী কৰা। এইটো বেয়া কথানে? খুব সম্ভৱ নহয়। কিন্তু এনেবোৰ কথাই হিউমেন জিনেটিক প্ৰযুক্তিক প্ৰসাধনমুলক কামত লগোৱাৰ পিছল এটলীয়া বাট এটালৈ আমাৰ যাত্ৰাৰ আৰম্ভনি কৰে। ইতিৰেখা ক'ত টানিব লাগিব। চুলিৰ বিকাশ হোৱাৰ পাছত চুলিৰ ৰঙৰ কথা নাহিবনে? চুলিৰ ৰঙৰ কথাটো হোৱৰ পাছত গাৰ ৰঙৰ কথা নাহিবনে? ছালৰ ৰঙটো হোৱাৰ পাছত জাতিগত গুণাৱলীৰ কথা নাহিবনে? মানুহৰ দেহৰ পুনৰ নিৰ্মাণৰ শেষ ক'ত হ'ব?

সমাজখন এটা প্ৰকৃত বিপদৰ সন্মুখীন হ'ব। সুবিধাজনক বুলি ভবা সামান্য বিকাশ সাধনৰ নাম লৈ আমি হিউমেন জিনেটিক প্ৰযুক্তিৰে আমাক নিজকে বা আমাৰ সন্তান-সন্ততিক সলনি কৰাৰ প্ৰচেষ্টাৰে নিয়োগ কৰা কাম আৰম্ভ কৰিবও পাৰোঁ। মানুহৰ প্ৰজননত হাত দিলে জিন পুলৰ স্থায়ী সালসলনি ঘটিব। সমাজ হিচাপে আমি এতিয়াও আমাৰ জাতিগত বৈষম্যই সমাপ্ত কৰিব পৰা নাই। এই সংমিশ্ৰিত মানৱ সমাজত আকৌ ইচ্ছাকৃতভাৱে উন্নত কৰা মানুহখিনিক যোগ কৰিলে কি বা ঘটনা হ'ব? ১৯৯৭ চনত নিৰ্মানি কৰা "গাটাকা" নামৰ ছিনেমাখনত জিনেটিকভাৱে উন্নত হোৱা সকলেহে ভাল কাম পাইছিল। স্বাভাৱিকভাৱে জন্ম পোৱা আৰু স্বাভাৱিক জিনপুল ধাৰণকাৰী (সেয়ে দুৰ্বলতা জৰিত) 'প্ৰেমৰ সন্তানবিলাকে' (এনে চামক ছিনেমাখনত দিয়া নাম) সমাজৰ অন্তিম ঢাপত স্থান পাইছিল।

আমাৰ একমাত্ৰ নিৰাপত্তা আহিব স্পষ্ট শেষ বিন্দু এটা গ্ৰহণ কৰিলেহে। ইয়াক লাভ কৰাৰ একমাত্ৰ উপায় হ'ল সমাজক এই বিষয়ক অগ্ৰগতি সম্পাৰ্কে জনোৱাটো নিশ্চিত কৰা আৰু বহু পলম হৈ যোৱাৰ আগতে অপব্যৱহাৰ প্ৰতিৰোধ কৰা। যদি এনে জটিল সিদ্ধান্তবোৰ বজাৰৰ চাহিদালৈ এৰা হয় তেন্তে আমি নিজকে কেতিয়াবা হয়তো সেই সীমালৈ উন্নত কৰিম যি সীমাত আমি আৰু মানুহ হৈ নাথাকোঁ। ১০০ বছৰ পাছৰ মানুহে কি কৰা উচিত হ'ব আমি আজিয়েই দিহা দিব নোৱাৰোঁ। তেওঁলোকে আমাৰ কথালৈ সিমানেই সামান্য মনোযোগ দিব যিমান আমি এতিয়া ১৯ শ শতিকাৰ পুৰ্বপুৰুষক দিওঁ। তেওঁলোকে নিজৰ জিনৰ ওপৰত আমি আজি ভিটামিন খোৱাৰ দৰেই সহজ ব্যৱস্থা ল'বও পাৰে। কিন্তু তেওঁলোকে কি কৰিব সেয়া আমাৰ দায়িত্ব নহয়। আমাৰ কৰ্ত্তব্য হ'ল হিউমেন জিনেটিক প্ৰযুক্তিৰ যুগলৈ যিমান সম্ভৱ সিমান সন্মানজনকভাৱে আগবঢ়া। তাৰ অৰ্থ হ'ল কঠিন ৰোগৰ চিকিৎসাৰ বাহিৰে অন্য কাৰণত আমি হিউমেন জিনেটিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰা উচিত নহয়- লাগিলে এয়া যিমান লোভনীয় কাৰ্য্যই নহওঁক কিয়? সময়ে ভালৰেই জোখ-মাখ ল'বনে?

(মূল প্ৰবন্ধ -- ড° ডব্লিও ফেঞ্চ এণ্ডাৰছনৰ)

* স্নাতক তৃতীয় বৰ্ষ, সোণাৰি মহাবিদ্যালয়।

# শৰীৰৰ ৰোগ, ইয়াৰ কাৰণ, বিস্তাৰ আৰু প্ৰতিৰোধ ঃ

দিলীপ ওৰাং*

দেহ, মনৰ অসুস্থতা বা অস্বাভাৱিক অৱস্থাকে ৰোগ বোলে। অথবা যি অৱস্থাই সাধাৰণ স্বাস্থ্যৰ অৱনতি ঘটায় বা দেহৰ ক্ৰিয়াত ব্যাঘাত জন্মায় তাকে ৰোগ বোলে।

ৰোগৰ কাৰণ সমূহ ঃ

১। জৈৱিক কাৰক ঃ বেক্টেৰিয়া, ভাইৰাছ, ভেঁকুৰ, হেলমিনথিছ ইত্যাদি অনুজীৱই আমাৰ শৰীৰত প্ৰৱেশ কৰি দেহৰ কাৰ্যত ব্যাঘাত জন্মায়।

২। ৰাসায়নিক কাৰণ ঃ শৰীৰত সৃষ্টি হোৱা ইউৰিয়া, ইউৰিক এচিড, হৰ্মন, উৎসেচক বা পাৰিপাৰ্শ্বিকৰ পৰা অহা গেছ, ধূলি, ধাতু ফুলৰ ৰেণু আদি বিভিন্ন ৰোগৰ সৃষ্টিৰ কাৰক।

৩। পুষ্টি সম্বন্ধীয় কাৰক ঃ প্ৰটিন, শৰ্কৰা, ফেট, ভিটামিন, পানী, খনিজ, লৱণ ইত্যাদি পুষ্টিজনিত পদাৰ্থ মানৱ দেহত বিভিন্ন ৰোগৰ সৃষ্টি কৰিব পাৰে।

৪। ভৌতিক কাৰক ঃ পাৰিপাৰ্শ্বিক উত্তাপ, শীত, আদ্ৰতা, চাপ, বিভিন্ন ৰশ্মি, বিজুলী, শব্দ আদি।

৫। যান্ত্ৰিক কাৰক ঃ পেশীৰ স্প্ৰেইন, আঘাটপোৱা, অস্থি ভঙ্গা ইত্যাদি যান্ত্ৰিক কাৰক।

৬। আণুবংশিক কাৰক ঃ হিমফিলিয়া, কাচিকোষ, ৰক্তহীনতা, বৰ্ণান্ধতা ইত্যাদি দোষযুক্ত জিনৰ দ্বাৰা হয়।

ৰোগৰ প্ৰকাৰ ঃ ৰোগ দুই প্ৰকাৰৰ দেখা যায়।

১। জন্মগত ৰোগ ঃ এই ৰোগ জন্মৰ পিছৰ পৰা দেখা যায়। এই ৰোগ বংশগত ৰোগ। এই ৰোগ জিন বা ক্ৰমজম উৎপৰিৱৰ্ত্তনৰ দ্বাৰা হয়।

জন্মগত ভাৱে হোৱা ৰোগবোৰ হ'ল ঃ-

